উন্নতিৰ হকে কাম কৰিবলৈ ঋণৰ ব্যৱস্থা আছে। তাৰোপৰি গাঁওখনৰ maintenanceৰ বাবদ গাঁও পৰিদৰ্শন কৰিবলৈ যোৱা মানুহক কিছু বৰঙণি দিবলৈ অনুৰোধ কৰে। আমি ১০০ টকা দি আহিছিলোঁ। অহাৰ সময়ত মিঃ খংথৰেমৰ বাইদেউৰ ঘৰত চাহ খাই বৰ তৃপ্তি পালোঁ। তেখেত আৰু পৰিয়ালক অশেষ ধন্যবাদ জ্ঞাপন কৰি আকৌ যোৱাৰ প্ৰতিশ্ৰুতিৰে তিনি ঘণ্টাৰ মূৰত গাড়ীত উঠি ওভতনি যাত্ৰা আৰম্ভ কৰিলোঁ।

প্ৰায় দুই কিঃ মিঃ অহাৰ পাচত পাৰ্থৰ কথা মতে গাড়ী ৰখাই আমি জীৱন্ত শিপাৰ দলংখন (Living root bridge) চাবলৈ নামিলোঁ। প্ৰায় ১৫ মিনিটমান খট্‌খটীৰে তললৈ নামি দেখিলোঁ এখন পাহাৰীয়া বহল নদী। পানী বেছি নাই। শিলে শিলে ঠেকা খাই পানী বৈ আছে। দুয়োপাৰৰপৰা দুজোপা বৃহৎ আকাৰৰ গছৰ শিপাবোৰ লগ লাগি নৈৰ দুয়োপাৰৰ সংযোগ কৰিছে। এইখনেই জীৱন্ত শিপাৰ দলং। প্ৰকৃতিৰ এক অপূৰ্ব সৃষ্টি। আমি দলংখনেৰে আনটো পাৰলৈ গ'লোঁ। ইতিমধ্যে আন যাত্ৰীবিলাকো আহিবলৈ লৈছে। নৈৰ পানীত শিলৰ মাজে মাজে ফুৰি থকা সৰু সৰু মাছবোৰ চাই



অতি আনন্দ উপভোগ কৰিলোঁ। পাপুল, অপুল, মেহ্‌দি, পাৰ্থহঁত ইমান মন্ত্ৰমুগ্ধ হৈ গৈছিল যে, উভতি আহিবলৈ তাহাঁতক সোঁৱৰাই দিবলগীয়া হৈছিল। এসময়ত আমি উঠি আহিলোঁ আৰু পুনৰ গাড়ীত উঠি শ্বিলং অভিমুখে যাত্ৰা কৰিলোঁ।

মাউলিংনং গাঁওখন ঘূৰি-ফুৰি চাই অনুভৱ হয় যে, সঁচাকৈয়ে এখন সুন্দৰ পৰিষ্কাৰ গাঁও। এই গাঁওখনৰ বিশেষভাৱে লক্ষ্য কৰিবলগীয়া দিশ আছে। প্ৰথম কথা হ'ল— প্ৰত্যেক পৰিয়ালতেই বিজ্ঞানসন্মত পায়খানা আৰু স্নানাগাৰৰ (Toilet and bathroom) ব্যৱস্থা আছে। সেয়ে তাত অস্বাস্থ্যকৰ পৰিৱেশ, বেয়া গোন্ধ নাই। ঘৰবোৰত পৰিষ্কাৰ পকা কুঁৱা আৰু খোৱা পানীৰ সু-ব্যৱস্থা আছে। প্ৰায় প্ৰত্যেক পৰিয়ালতেই পানী ওলাই যাব পৰাকৈ পকী নলাৰ (Drain) ব্যৱস্থা কৰা আছে। সেয়ে পানী জমা নহয় আৰু মহ, মাখি নাই। প্ৰত্যেক পৰিয়ালতেই ফুল আৰু ফলৰ গছ-গছনি অতি পৰিপাটিকৈ ৰোৱা দেখিলোঁ। মুঠৰ ওপৰত প্ৰত্যেক পৰিয়ালেই নিজৰ ঘৰখন পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখি প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত নিজৰ গাঁওখনক জাকত জিলিকা কৰি ৰাখিবলৈ সক্ষম হৈছে। ❖❖❖

ৰাজনীতিক বনৰজাৰ সাহস আৰু শিয়ালৰ ধূৰ্তালি একত্ৰিত কৰিব পাৰিলে সফল ৰাজনীতিজ্ঞ হ'ব পাৰে।

—মেকিয়া ভেলি

জুয়ে শুকান খৰি পুৰি ছাই কৰাৰ দৰে ঈৰ্ষায়ো মানুহৰ সকলো ভাল গুণ নষ্ট কৰি পেলায়।

—হজৰত মহম্মদ

# প্ৰকৃতি সুৰক্ষা, পৰিৱেশ প্ৰেম...



**প্ৰণৱ কলিতা**

স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)

*গীতাতে কৈছে—*

*'জাতস্য হি ধ্ৰুবো মৃত্যুধ্ৰুবং জন্ম মৃতস্য চ*
*তস্মাদ পৰি হাৰ্য্যেহৰ্থে নত্বং শোচিতুমৰ্হসি।*

অৰ্থাৎ যাৰ জন্ম আছে, তাৰ মৃত্যু হ'বই। গতিকে তাৰ বাবে অনুশোচনা বা শোক কৰাৰ লাভ নাই। আজি আমি সেইদৰে সান্ত্বনা লভিব লাগিব। সেয়ে এতিয়া আমি ভৱিষ্যতৰ বাবে চিন্তা কৰা আৱশ্যক। অৰ্থাৎ আমাৰ যিখিনি প্ৰাকৃতিক সম্পদ আছে, সেইখিনিকে কেনেকৈ এতিয়া ৰক্ষা কৰা যায়, তাকেই চিন্তা কৰাৰ আৱশ্যক।

আমাৰ দেশত পৰিৱেশ ৰক্ষা তথা বন্যপ্ৰাণী সুৰক্ষা আঁচনিসমূহ শাসকসকলৰ বাবে বেছ আকৰ্ষণীয় বাণিজ্য বিষয়। নিৰ্বাচিত প্ৰতিনিধিসকলৰ বাবে কেতবোৰ বিভাগ, যেনে— স্বাস্থ্য, গৃহ, শিক্ষা, বন, পৰ্যটন আদি বিভাগ যথেষ্ট আকৰ্ষণীয়। এই বিভাগবোৰৰ মন্ত্ৰীসকলৰ ঐকান্তিক প্ৰচেষ্টা, কৰ্মস্পৃহা, জ্ঞান চৰ্চা আৰু নিৰপেক্ষতাৰ ওপৰত দেশখনৰ বিভাগবোৰৰ সফলতা নিৰ্ভৰ কৰে, ৰাজনৈতিক কুচ্‌কাৱাজৰ ওপৰত নহয়। বন-পৰ্যটন বিভাগটোৰ গুৰুত্ব আৰু দায়িত্ব ভাৰতবৰ্ষ তথা অসম, উত্তৰ-পূৰ্বাঞ্চলত অপৰিসীম। এনে বিভাগবোৰত উপযুক্ত অভিজ্ঞ আৰু সৎ বিষয়া-আমোলাৰ নিযুক্তি, পৰিচালনা ৰাজনৈতিক দৃষ্টি আৰু সমীকৰণৰ উৰ্ধ্বত হ'ব লাগে। অন্যথা বিভাগীয় সফলতাত এইবোৰেই প্ৰধান অন্তৰায় হৈ উঠে। আমি জানো যে, অসমভূমিত গছ কটা চলি থাকিলে, গঁড় হত্যা চলি থাকিলে কোনোবা ৰাজনৈতিক দলতকৈ অসম তথা পৃথিৱীৰে অপূৰণীয় ক্ষতিয়ে দেখা দিব। কাজিৰঙাত, বিশেষকৈ প্ৰতিটো বানত জন্তু-জানোৱাৰবোৰে নিৰাপত্তা বিচাৰি কাৰ্বি পাহাৰলৈ গুচি আহিব লগা হয়।

অসম নদীপ্ৰধান দেশ, পৰ্যটনৰ বাবে ভৰপূৰ সম্ভাৱনা। সেয়ে এইবোৰ প্ৰচাৰ চলিছে— নদীত ৰেস্তোৰাঁ, ক্লাব, নৈৰে পৰ্যটনস্থলীদৰ্শন আদি অভিলাষী আঁচনিৰ; শুনিলে শিহৰিত হৈ উঠে দেহ-মন। দেশৰ অৰ্থনৈতিক বিপৰ্যয়, পৰিৱেশ প্ৰদূষণক মাজত নৈকেন্দ্ৰিক প্ৰদূষণমুক্ত পৰ্যটন। এনে পৰ্যটনৰ সপোনত বিভোৰ হওঁ আমি। পিচে সপোন আধাতে শেষ হয়, যেতিয়া কাজিৰঙাৰ দৰে বিশ্ব ঐতিহ্যক্ষেত্ৰত দেখা পাওঁ বন আইন আৰু পৰ্যটন আইনখনৰ স্ব-বিৰোধ, বিসংগতি। ইতিমধ্যে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটন এলেকাত নিষিদ্ধ ঘোষণা কৰাই যেন এটা কথা সূচায়— 'হয় বন, নহয় পৰ্যটন'। অতি দুৰ্ভাগ্যজনক তথা চমকি উঠিব লগা বিষয় এই যে, ভৌগোলিকভাৱে আৰু ইতিহাসপ্ৰসিদ্ধ হৈয়ো ভাৰতবৰ্ষ পৰ্যটনৰ ক্ষেত্ৰত বিশ্বৰ প্ৰথম কুৰিটা স্থানৰ ভিতৰত থাকিবলৈ সক্ষম নহ'ল। আনকি চীন আৰু মালয়েছিয়াতকৈ ভাৰতবৰ্ষত বহু আগতেই পৰ্যটন আৰম্ভ হোৱাৰ পিচতো বিশ্বৰ কুৰিটা স্থানৰ ভিতৰত চীনে তৃতীয় আৰু মালয়েছিয়াই নৱম স্থান অধিকাৰ কৰিবলৈ সক্ষম হ'ল। এক বিশেষ সূত্ৰৰ মতে, চীনত বছৰি পাঁচ কোটি বিদেশী পৰ্যটকৰ আগমনৰ বিপৰীতে ভাৰতবৰ্ষত পৰ্যটনক সংখ্যা পঞ্চাছ লাখতকৈ অধিক নহ'ল। ভাৰতবৰ্ষৰ এই দুৰ্বল পৰ্যটন চেতনাৰ মাজত কাজিৰঙাৰ দৰে বিশ্বপ্ৰসিদ্ধ অঞ্চল এটাৰ পৰ্যটন বাহাল ৰাখিবলৈ লৈ আদালতৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিব লগা হৈছে ভাৰত চৰকাৰ আৰু অসম চৰকাৰ। কাৰণ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত পৰ্যটন এলেকাটোক নিষিদ্ধ ঘোষণা কৰা হ'ল। দুৰ্ভাগ্যজনকভাৱে কাজিৰঙাত শতবছৰ অতিক্ৰম কৰাৰ পিচতো "ইক' টুৰিষ্ট ভিলেজ" হিচাপে কাজিৰঙাৰ গাঁওসমূহ গঢ় দিব পৰা নগ'ল। প্ৰকৃতিৰ ক্ষয়-ক্ষতি নোহোৱাকৈ গ্ৰাম্য পৰ্যটনেৰে এক আদৰ্শৰ নিদৰ্শন দাঙি ধৰি ভাৰতীয় পৰ্যটন ব্যৱস্থাক উজলাই উঠোৱাৰ প্ৰয়াস আৰু হাবিয়াসৰ অভাৱ অসম পৰ্যটনৰ ক্ষেত্ৰ পৰিলক্ষিত হ'ল। ❖❖❖

প্ৰসংগ ঃ

# পৰিৱেশ সম্পৰ্কীয় আইন আৰু গোলকীয় উত্তাপীকৰণ

দিপুঞ্জয় ৰাভা
স্নাতক তৃতীয় বৰ্ষ

**পৰিৱেশ সম্পৰ্কীয় আইন (Environment Protection Act) ঃ**

ৰাষ্ট্ৰসংঘৰ তত্বাৱধানত ১৯৭২ চনৰ ৫ জুন তাৰিখে ষ্টকহমত প্ৰথম পৰিৱেশ সম্পৰ্কে এখন বিশ্ব সন্মিলন আৰম্ভ হৈছিল। এই সন্মিলনত প্ৰথমবাৰৰ বাবে পৰিৱেশৰ প্ৰদূষণ আৰু পৰিৱেশ ধ্বংসৰ পৰিণতি সম্পৰ্কে বিশদ আলোচনা হৈছিল। এই সন্মিলনত সকলো দেশক পৰিৱেশ সংৰক্ষণৰ বাবে ব্যৱস্থা ল'বলৈ আহ্বান জনোৱা হ'ল। ইয়াৰ পিচত প্ৰায়বিলাক দেশে নিজৰ নিজৰ দেশৰ অৱস্থা অনুযায়ী পৰিৱেশ সংৰক্ষণৰ বাবে নানা আইন প্ৰণয়ন কৰিবলৈ ধৰিলে। পৃথিৱীৰ সকলো মানুহক পৰিৱেশ ৰক্ষা সম্পৰ্কে সচেতন কৰি তুলিবলৈ তেতিয়াৰপৰা জুন মাহৰ ৫ তাৰিখ দিনটো প্ৰতিবছৰে বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰা হৈছে।

**ভাৰতবৰ্ষত পৰিৱেশ সংৰক্ষণৰ বাবে সাংবিধানিক ব্যৱস্থা ঃ**

ভাৰতবৰ্ষ পৃথিৱীৰ প্ৰথম দেশ যি পৰিৱেশ সংৰক্ষণৰ বাবে সৰ্বপ্ৰথম সাংবিধানিক ব্যৱস্থা গ্ৰহণ কৰিছিল। ইয়াৰ বাবে ১৯৭৬ চনত যি সংশোধন সংবিধানত সংযোজন কৰিবলগা হৈছিল, তাক ৪২ তম সংবিধান সংশোধন বোলা হয়। এই সংশোধনৰ ফলত যি দুটা ধাৰা সংযোজন কৰা হৈছিল সেই ধাৰা দুটা হ'ল—

(1) **Article 48-A :** 'The state shall endeavour to protect and improve the environment and to safeguard forests and wildlife of the country.'

(2) **Article 51-A(g) :** 'It shall be the duty of every citizen of India to protect and improve the natural environment including forests, lakes, rivers and wildlife and to have compassion for living creatures.'

**ভাৰতবৰ্ষত পৰিৱেশ সংৰক্ষণৰ বাবে প্ৰণয়ন কৰা আইনসমূহ ঃ**

(১) বন্যজীৱ সংৰক্ষণ আইন, ১৯৭২
(২) জলপ্ৰদূষণ নিবাৰণ আইন, ১৯৭৪, ১৯৭৭, ১৯৮৮
(৩) বন সংৰক্ষণ আইন, ১৯৮০
(৪) বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ আইন, ১৯৮৭
(৫) পৰিৱেশ সংৰক্ষণ আইন, ১৯৮১, ১৯৮৬
(৬) বিপজ্জনক আৱৰ্জনা পৰিত্যাগ আইন, ১৯৮৭
(৭) বিপজ্জনক ৰাসায়নিক বস্তু উৎপাদন আৰু আমদানি সম্পৰ্কীয় আইন, ১৯৮৯
(৮) বিপজ্জনক জীৱাণু সৃষ্টি কৰা, সংগ্ৰহ কৰা আৰু সঞ্চয় কৰা নিষেধ আইন, ১৯৮৯।

**পানী (প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ) আইন [(Water (Prevention and Control of pollution) Act] ঃ**

পানী অবিহনে জীৱই জীৱন ক্ৰিয়া চলাই থাকিব নোৱাৰে। পানী সকলো জীৱ-জন্তু আৰু উদ্ভিদৰ বাবে অপৰিহাৰ্য। বিশুদ্ধ পানী অবিহনে জনস্বাস্থ্য ৰক্ষা কৰা অসম্ভৱ। বিশুদ্ধ পানীৰ বৈশিষ্ট্য হ'ল— (১) পানীত কোনো ক্ষতিকাৰক বীজাণু থাকিব নালাগে (২) শৰীৰৰ পক্ষে ক্ষতিকাৰক কোনো ৰাসায়নিক দ্ৰব্য থাকিব নোৱাৰিব। পানী প্ৰশমিত/অম্লীয় বা ক্ষাৰকীয় হ'ব লাগিব।

পানীত যে কোনো দ্ৰৱণীয় বস্তু নাথাকিব তাৰ মানে নাই। অনেক ধৰণৰ দ্ৰব্য পানীত মিহলি থাকিব পাৰে; কিন্তু সেইবিলাকৰ এক সৰ্বোচ্চ সীমা বান্ধি দিয়া হৈছে। এইবিলাকৰ সৰ্বোচ্চ সীমা অতিক্ৰম কৰিলে পানী প্ৰদূষিত হোৱা বুলি কোৱা হয়।

প্ৰদূষণমুক্ত পানী যে কেৱল মানুহৰ ব্যৱহাৰৰ বাবেহে

প্ৰয়োজন হয়, এনে নহয়। তলত উল্লেখ কৰা সকলো কাৰ্যৰ বাবে প্ৰদূষণমুক্ত পানীৰ প্ৰয়োজন।

১। ঘৰৰ সকলো কাম যেনে— ৰন্ধা কাম, গা ধোৱা, কাপোৰ ধোৱা, খোৱা আদিত। ২। কৃষি কাৰ্যত। ৩। শিল্প-কাৰখানাত, বিশেষকৈ ইস্পাত কাৰখানা, কাগজ কল আদিত প্ৰদূষণমুক্ত পানীৰ প্ৰয়োজন হয়।

## পানীৰ প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ আইন ঃ

১৯৭৪ চনত পানীৰ প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ আইন প্ৰণয়ন কৰা হয় আৰু কাৰ্যকৰী কৰা হয়। ইয়াৰ পিচত ১৯৭৮ চনত ইয়াৰ কিছু সংশোধন কৰা হয়।

এই আইনৰ মুল বিষয়বস্তু তলত উল্লেখ কৰা হ'ল—

১। এই আইনৰদ্বাৰা মাটিৰ ওপৰৰ পানীৰ আৰু ভূ-গৰ্ভত থকা পানীৰ গুণগত মান নিয়ন্ত্ৰণৰ বাবে সকলো ব্যৱস্থা ল'ব পৰা ক্ষমতা চৰকাৰক দিয়া হৈছে।

২। এই আইনে চৰকাৰক কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদ গঠন কৰাৰ ক্ষমতা দিছে।

৩। এই পৰিষদসমূহে চৰকাৰক প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণৰ বাবে নিয়ম-কানুন প্ৰস্তুত কৰিবৰ পৰামৰ্শ দিব আৰু এই নিয়মসমূহ যাতে পালন কৰা হয় তাৰ প্ৰতি চকু দিব।

৪। এই পৰিষদসমূহে পানীৰ গুণগত মান নিৰ্ধাৰণ কৰিব আৰু পানীত মিহলি হৈ থকা দ্ৰব্যৰ সৰ্বোচ্চ সীমাও বান্ধি দিব আৰু এই সীমা অতিক্ৰম কৰিলে বিহিত ব্যৱস্থা ল'ব।

৫। এই পৰিষদসমূহে প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে অধ্যয়ন কৰি চৰকাৰক বিহিত ব্যৱস্থা ল'বৰ বাবে সময়ে সময়ে পৰামৰ্শ আগবঢ়াব।

৬। এই আইনে প্ৰদূষণ নিয়ন্ত্ৰণৰ নিয়ম লংঘন কৰিলে শাস্তিৰ ব্যৱস্থা নিৰ্ধাৰণ কৰি দিছে।

৭। এই আইনত ৰাজ্যিক পৰিষদসমূহে বিভিন্ন ঠাইৰ পানী পৰীক্ষা কৰি প্ৰদূষণৰ মাত্ৰা নিৰ্ধাৰণ কৰি উচিত ব্যৱস্থা ল'বৰ ক্ষমতা দিয়া হৈছে।

৮। কোনো শিল্প-কাৰখানা বা প্ৰতিষ্ঠানৰপৰা ওলোৱা দূষিত বস্তু যাতে ব্যৱহাৰযোগ্য পানীৰ লগত মিহলি নহয়, তাৰ প্ৰতি ৰাজ্যিক পৰিষদে চকু দিয়ে আৰু তেনে প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণৰ বাবে আইনগত আৰু অন্যান্য ব্যৱস্থা গ্ৰহণ কৰে।


৯। এই আইনমতে, কিছুমান শিল্প-উদ্যোগ গঢ়ি তোলাৰ পূৰ্বে চৰকাৰৰ অনুমতি ল'ব লাগিব। প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে এনে শিল্প-উদ্যোগৰপৰা নদ-নদী, পুখুৰী আৰু ভূ-গৰ্ভত থকা পানী প্ৰদূষিত হোৱাৰ সম্ভাৱনা থাকিলে তেনে স্থানত এনে শিল্প-উদ্যোগ স্থাপনৰ অনুমতি দিয়া নহয়।

১০। প্ৰদূষিত পানী কল-কাৰখানাৰপৰা ওলোৱাৰ পূৰ্বে শোধন কৰা বা পুনৰ কাৰখানাত ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ বাবে পৰিষদে পৰামৰ্শ দিয়ে আৰু কাৰিকৰী দিশৰপৰাও এই বিষয়ে পৰামৰ্শ দিয়ে।

১১। পানীৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় গৱেষণা চলাবৰ বাবে কেন্দ্ৰীয় পৰিষদে ৰাজিক্য পৰিষদক মঞ্জুৰি দিয়াৰ ব্যৱস্থাও এই আইনত আছে।

## গোলকীয় উত্তাপীকৰণ ঃ

জীৱ জগতত মানুহে একমাত্ৰ জীৱ যি নিজৰ কাৰ্যদক্ষতাৰে প্ৰভূত্ব বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছে। কিন্তু এটা সময়ত মানুহেও জীয়াই থকাৰ কাৰণে আন জীৱৰ সৈতে সংগ্ৰাম কৰিবলগীয়া হৈছিল মানসিক শক্তি আৰু শাৰীৰিক বৈশিষ্ট্যৰ অতুলনীয় মিলনে মানৱ জাতিক আন সকলো জীৱতকৈ উচ্চত এক সুকীয়া আসন দিবলৈ সক্ষম হৈছে। মানুহে ক্ৰমাৎ প্ৰাকৃতিক সম্পদৰসমূহৰ ব্যৱহাৰেৰে নিজৰ জীৱন ধাৰণ পদ্ধতি আৰু অধিক উন্নত কৰিবলৈ



চেষ্টা কৰিলে। কিন্তু অত্যাধিক ব্যৱহাৰৰ ফলস্বৰূপে কিছুমান প্ৰাকৃতিক সম্পদ পৃথিৱীৰ পৰা চিৰদিনলৈ বিলুপ্ত হোৱাৰ পথত আগবাঢ়িছে। ইয়েই জীৱ জগতৰ ভাৰসাম্যতাৰ ওপৰত প্ৰভাৱ পেলাইছে আৰু সমগ্ৰ মানৱ জাতিক এক অন্ধকাৰ ভবিষ্যতলৈ আগবঢ়াই নিছে। বন জংঘল কাটি নতুন নতুন চহৰৰ সৃষ্টি হ'ল

কাৰখানাৰ পৰা নিৰ্গত হোৱা আৱৰ্জনাই জলপৃষ্ঠৰ অধিকাংশ প্ৰদূষিত কৰিছে। ইয়াৰ উপৰি গাড়ী মটৰ আদিৰ পৰা ওলোৱা ধোঁৱাই বায়ুমণ্ডলো দূষিত কৰিছেল। গতিকে সময় থাকোতেই প্ৰয়োজনীয় ব্যৱস্থা নল'লে অতি সোনকালেই এই পৰিবেশ জীয়াই থকাৰ বাবে অনুপযুক্ত হৈ পৰিব। বিজ্ঞানীসকলে এনেবোৰ ঘটনাৰ প্ৰকৃত কাৰণ গোলকীয় উত্তাপীকৰণ বুলি ঠাৰৰ কৰিছে। সাধৰণ অৰ্থত/ পৃথিবীৰ তাপমাত্ৰা বা উষ্ণতা ক্ৰমান্বয়ে বৃদ্ধি পাই অহা ঘটনাটোকে গোলকীয় উত্তাপীকৰণ (Global warming) বুলি ক'ব পাৰি। এই উষ্ণতা যোৱা এক শতিকাত গড় হিচাপে প্ৰায় ১° ডিগ্ৰী ফাৰেণহাইট বৃদ্ধি পাইছে আৰু অহা কেইবছৰমানৰ পিচত এই উষ্ণতা আৰু অধিক হ'ব বুলি অনুমান কৰা হৈছে।

পৃথিবীৰ চাৰিওকাষ আবৰণ সদৃশ বায়ুমণ্ডলে আগুৰি আছে। বায়ুমণ্ডল হৈছে কাৰ্বন-ডাই-অক্সাইড, অক্সিজেন, নাইট্ৰাছ অক্সাইড, জলীয় বাষ্প, মিথেন আদি বিভিন্ন গেছৰ সংমিশ্ৰণ। এই আৱৰমখনে পৃথিবীৰ পৰা প্ৰতিফলিত হোৱা অপৰশ্মি বহিৰ্বলৈ ওলাই যোৱাত বাধা দি পৃথিবীৰ জলবায়ু উত্তপ্ত কৰি ৰাখে আৰু মানৱ জীৱনৰ বাবে প্ৰয়োজনীয় তাপ যোগান ধৰে। কিন্তু দিনক দিনে বাঢ়ি যোৱা প্ৰদূষণৰ ফলত বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি পাইছে। ফলস্বৰূপে বায়ুমণ্ডলৰ উষ্ণতাও বৃদ্ধি পাইছে। দিনৰ ভাগত সূৰ্য্যৰ পৰা পোৱা ৰশ্মিৰ ফলত পৃথিবীৰ উপৰি ভাগ উত্তপ্ত হৈ উঠে আৰু লাহেলাহে এই তাপ পৃথিবী পৃষ্ঠাৰ বায়ুমণ্ডললৈ এৰি দিয়ে। কিন্তু কাৰ্বন-ডাই-অক্সাইড গেছৰ আৱৰণখনে এই তাপ বায়ুমণ্ডলৰ বাহিৰলৈ ওলাই যোৱাত বাধা দি সেই তাপ শোষণ কৰি লয়। ইয়াৰ ফলত বায়ুমণ্ডল গৰম হৈ উঠে।

পৃথিবীৰ জলবায়ু পৰিবৰ্তনৰ কাৰণ বিশ্লেষণ কৰিলে বহুকেইটা দিশ আমাৰ দৃষ্টিগোচৰ হয়। যদিও আমি এই পৰিবৰ্তন মূল কাৰণ মানুহৰ কাৰ্যকলাপ বুলি ধৰি লৈছো, কিন্তু ভালকৈ মন কৰিলে দেখিবলৈ পোৱা যায় যে, পৃথিবীৰ জলবায়ু প্ৰাকৃতিকভাৱে পৰিবৰ্তন হৈ আহিছে। আজিৰ পৰা প্ৰায় ৫০০ কোটি বছৰৰ আগৰ জলবায়ু আৰু বৰ্তমানৰ জলবায়ুৰ মাজত কোনো সামঞ্জস্য নাই। প্ৰথম অৱস্থাত পৃথিবীৰ উষ্ণতা বহুত বেছি আছিল, লাহে লাহে পৰিবৰ্তন হৈ আজিৰ এই অৱস্থা পাইছে। কিন্তু এই প্ৰাকৃতিক পৰিবৰ্তন বিপৰীতে বৰ্তমান যুগত ঔদ্যোগিক বিপ্লৱৰ প্ৰভাৱত মানুহৰ কাৰ্যকলাপ সলনি হৈছে আৰু জলবায়ুৰ পৰিৱৰ্তনত অৰিহণা যোগাইছে। ঔদ্যোগিক বিপ্লৱৰ ফলত নতুন নতুন যন্ত্ৰপাতি, গাড়ী, মটৰ আদি আৱিষ্কৃত হ'ল। এইবোৰৰ পৰা নিৰ্গত হোৱা ধোৱাই বায়ুমণ্ডল প্ৰদূষিত কৰিলে। জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ থকিবলৈ ঠাইৰ অভাৱ হ'ল, ফলত গছ-বন কাটি অৰণ্যৰ ঠাইত নতুন নতুন চহৰ উদ্ভৱ হ'ল। জলবায়ুৰ এই পৰিবৰ্তনে মানুহৰ স্বাস্থ্যৰ ওপৰত বহুতো প্ৰভাৱ পেলায়। দূষিত বায়ু সেৱন কৰাৰ ফলত বিভিন্ন ৰোগ যেনে, স্বাস-প্ৰস্বাসজনিত ৰোগ আদিয়ে দেখা দিয়ে। ইয়াৰ উপৰি দূষিত বায়ুৱে জীৱ-জন্তুৰ স্বাস্থ্যৰ লগতে কৃষিখণ্ডতো প্ৰভাৱ পেলায়। নতুন তথ্য মতে, দক্ষিণ মহাসাগৰৰ পানীৰ উষ্ণতা ক্ৰমাৎ বৃদ্ধি পাইছে। উষ্ণতা বৃদ্ধিৰ লগে লগে পানীৰ আয়তনো বৃদ্ধি পায়, ইয়াৰ ফলত সাগৰৰ পানীৰ উষ্ণতা বাঢ়ি গৈছে। যোৱা এটা দশকত সাগৰৰ পানীৰ মাত্ৰা প্ৰায় ১.১৮ ইঞ্চি বৃদ্ধি হৈছে। যান-বাহনৰ সংখ্যা বাঢ়ি যোৱাৰ লগে লগে ইয়াত ব্যৱহাৰ কৰা ইন্ধনৰ ব্যৱহাৰো বৃদ্ধি পাইছে। গতিকে কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণো বায়ুণ্ডলত বাঢ়ি গৈছে। সেই কাৰণে আমি প্ৰদুষণৰ মাত্ৰা হ্ৰাস কৰিবলৈ ইন্ধনৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰিব লাগিব, বনানীকৰণ আদিৰ ওপৰতো গুৰুত্ব দিব লাগিব। ইয়াৰ উপৰি কাৰখানাৰ পৰা নিৰ্গত হোৱা ধোঁৱা বায়ুমণ্ডলৈ ওলাই যোৱাৰ আগতে পৰিস্কাৰ কৰা, অনিষ্টকাৰী পদাৰ্থসমূহ উৎপাদনস্থলীতে পৃথক কৰা আদি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু প্ৰদূষণ হ্ৰাস কৰিবলৈ এয়েই যথেষ্ট নহয়। এই গোলকীয় উত্তাপীকৰণৰ বিৰুদ্ধে যুঁজ দিবলৈ পৃথিবীৰ বহুকেইখন দেশ লগ লাগি ৰাষ্ট্ৰসংঘৰ অধীনত 'কাট' প্ৰট'ক'ল' (১৯৯৭) নামৰ সংশোধনী এখন আইন প্ৰণয়ন কৰিলে। ইয়াৰ প্ৰধান লক্ষ্য হৈছে গোলকীয় উত্তাপীকৰণৰ লগত জড়িত গেছ সমূহৰ পৰিমাণ হ্ৰাস কৰা। এই আইনখন যদি সাফলভাৱে কাৰ্যকৰী হয় তেনেহ'লে ২০৫০ চনৰ ভিতৰত পৃথিবীৰ উষ্ণতা বহুখিনি হ্ৰাস হ'ব বুলি আশা কৰা হৈছে। গোলকীয় উত্তাপীকৰণৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ বিশ্বৰ ২৪ খন মহানগৰে এই বছৰৰ ২০০৮ চনত ২৯ মাৰ্চ তাৰিখে চিডনীৰ স্থানীয় সময় মতে সন্ধিয়া ৮ বজাত ৬০ মিনিটৰ কাৰণে সমগ্ৰ চহৰকেইখনৰ বিদ্যুৎ যোগান বন্ধ কৰিবলৈ সিদ্ধান্ত লৈছে। এই মহানগৰকেইখন হ'ল- আটলাণ্টা, চানফ্ৰান্সচিচ্‌ক', ফ'য়েনিক্স, বেংকক, অট'ৱা, ভেনক'ভাৰ, মনট্ৰিল, ডাবলীন, চিডনী, পাৰ্থ, মেলবৰ্ণ, কানবেৰা, ব্ৰিছবেন, এডিলেইড, ক'পেনহাগেন, আৰহাচ, এলবৰগ, অ'ডেনছ, মেলিয়া, চোভা, খ্ৰিষ্টচাৰ্চ, চিকাগ', তেলএডিড, ট'ৰ'নট'। ২০০৮ চনৰ ৪ এপ্ৰিল তাৰিখে গোলকীয় উষ্ণতা বৃদ্ধি প্ৰতিৰোধ কৰাৰ লক্ষ্যৰে সৰ্বপ্ৰথমবাৰৰ বাবে এখন সৰ্বত্মক চুক্তি স্বাক্ষৰৰ বাবে সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰিলে বিশ্বৰ ১৬৩ দেশে বেংককত। গোলকীয়

উষ্ণতা বৃদ্ধিৰ সমান্তৰালকৈ বৰ্ধিত জনসংখ্যা, জলবায়ুৰ পৰিবৰ্তন, পৰিবেশ প্ৰদূষণ, বিশুদ্ধ খোৱাপানীৰ অভাৱ জীৱৰ কিছুসংখ্যক প্ৰজাতিৰ বিলুপ্তি, প্ৰাকৃতিক দুৰ্যোগ আদি সমস্যাবোৰে আমাৰ পৃথিৱী গ্ৰহটোৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। পৃথিৱীৰ এই সংকট সৃষ্টিৰ আঁৰত মানুহেই জগৰীয়া। সেয়েহে আমাৰ এই গ্ৰহটোৰ সুৰক্ষাৰ কাৰণে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ২০০৫ চনত ইয়াৰ ৬০ তম অধিৱেশনত ২০০৮ বৰ্ষটো আন্তৰ্জাতিক ধৰিত্ৰী বৰ্ষ (International Year of Planet Earth) হিচাপে পালন কৰাৰ কথা সদৰী কৰে। ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থা (UNESCO), ৰাষ্ট্ৰসংঘৰ পৰিবেশ কাৰ্যসূচী (UNEP), আন্তঃৰাষ্ট্ৰীয় ভূ-বিজ্ঞান সংঘ (IOGS) আদি আন্তৰ্জাতিক সংস্থাসমূহে বিশ্বজুৰি ধৰিত্ৰী বৰ্ষৰ সফল সম্পাদন তথা সমন্বয় সাধনত অংশগ্ৰহণ কৰিছে।

## গোলকীয় উত্তাপীকৰণৰ বিভিন্ন প্ৰভাৱ

**(ক) বৰ্ধিত সেউজ গৃহ গেছৰ প্ৰভাৱঃ** জনসংখ্যা বৃদ্ধি আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগৰ ফলত মানুহৰ কাৰ্য্যকলাপে সেউজ গৃহ গেছৰ পৰিমাণ বায়ুমণ্ডলত বৃদ্ধি হোৱাত সহায় কৰিছে। ইয়াৰ পৰিণতিত অকল গোলকীয় উত্তাপ বৃদ্ধিয়েই নহয় জলবায়ু আৰু আন প্ৰাকৃতিক প্ৰক্ৰিয়াসমূহতো প্ৰভাৱ পেলাইছে।

**(খ) গোলকীয় তাপ বৃদ্ধি ঃ** বৰ্তমানৰ হাৰত সেউজ গৃহ গেছ বিলাকৰ পৰিমাণ বৃদ্ধি পাই থাকিলে ২০৫০ চনত পৃথিৱীৰ গড় উষ্ণতা ১.৫°ৰ পৰা ৫.৫° ছেন্টিগ্ৰেড বৃদ্ধি পাব।

**(গ) সমুদ্ৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি ঃ** গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত পৃথিৱীৰ দুই মেৰুৰ বৰফ স্তুপ গলিব আৰু ফলত সমুদ্ৰৰ জলপৃষ্ঠৰ উচ্চতা বৃদ্ধি পাব। সমুদ্ৰৰ জলপৃষ্ঠৰ ১ মিটাৰ উচ্চতা বৃদ্ধিয়ে চাংহাই, কাইৰো, বেংকক, চিডনি, হামবাৰ্গ আৰু ভেনিচৰ দৰে মহানগৰী বিলাকৰ নিম্নাঞ্চলবিলাক বুৰাই পেলাব। একেদৰে ভাৰতবৰ্ষতো ভাৰতুৰ্ষতো লাক্ষাদ্বীপৰ নিম্নভূমি অঞ্চল বিপদ সংকুল হৈ পৰিব আৰু মুম্বাইৰ দৰে ধুনীয়া বৃহৎ নগৰীকো মথাউৰি আদিৰে ৰক্ষণাবেক্ষণ দিব লগা হ'ব পাৰে। গংগা, নীলা, মেকং মিচিচিপি আদি নদীৰ ব-দ্বীপ অঞ্চলত বাস কৰা লোকসকল ক্ষতিগ্ৰস্থ হ'ব। ইজিপ্ত, বাংলাদেশ, ভাৰত, চীন আদি দেশৰ নিম্ন কৃষি ভূমি বিলাক বুৰ যাব আৰু কৃষিৰ উৎপাদিকা শক্তি হ্ৰাস পাব।

**(ঘ) মানুহৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ ঃ** গোলকীয় উত্তাপ বৃদ্ধিয়ে বৰষুণৰ পৰিমাণ আৰু বিতৰণৰ ওপৰত পৰিবৰ্তন আনিব আৰু ফলত মেলেৰিয়া, ফিলাৰিয়াচিচ, এলিফেন্টিয়াচিচ আদি ৰোগৰ প্ৰকোপ বাঢ়িব। উষ্ণতা আৰু আৰ্দ্ৰতা বৃদ্ধিৰ ফলত মানুহৰ শ্বাস-প্ৰশ্বাসজনিত ৰোগ আৰু চৰ্মৰোগ বৃদ্ধি পাব।

**(ঙ) কৃষিৰ ওপৰত প্ৰভাৱ ঃ** কৃষিৰ ওপৰত গোলকীয় উত্তাপ বৃদ্ধিৰ প্ৰভাৱৰ ক্ষেত্ৰত ভিন্ন মত দেখা যায়। কিছুমানৰ মতে উত্তাপ বৃদ্ধিয়ে কৃষিৰ ওপৰত ধনাত্মক প্ৰভাৱ পেলাব আৰু আন কিছুমানৰ মতে অধিক উত্তাপৰ ফলত কৃষিৰ ওপৰত ঋণাত্মক প্ৰভাৱ পৰিব। অৱশ্য নিৰক্ষীয় অঞ্চল ইয়াৰ ফলত বেছিকৈ ক্ষতিগ্ৰস্ত হ'ব। অধিক উষ্ণতাৰ ফলত মাটিৰ আৰ্দ্ৰতা কমিব আৰু বাষ্প-প্ৰচ্ছেদনৰ ক্ষীপ্ৰতাই কৃষিৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলাব। উত্তাপ্ত বৃদ্ধি আৰু ঠাই বিশেষে আৰ্দ্ৰতা বৃদ্ধিৰ ফলত কীট-পতঙ্গৰ পৰিমাণ বাঢ়িব আৰু কৃষিৰ সাধন কৰিব।



## উত্তপ্ত ধৰিত্ৰীলৈ আহিছে চৰম বিপৰ্যয় ঃ

প্ৰকৃতিৰ প্ৰতি মানৱ সমাজে কৰি অহা অবিবেচনামূলক ব্যৱহাৰৰ ফল ভুগিবলৈ এতিয়া মানৱ সমাজ প্ৰস্তুত হ'বৰ সময় হ'ল। ৰাতিৰ আন্ধাৰ আঁতৰাই পূৱৰ আকাশৰ ৰঙা বেলিটোৱে এতিয়া দুপৰত যি তাণ্ডৱ সৃষ্টি কৰিবলৈ আগবাঢ়িছে সেয়া সকলোৰে জ্ঞাত।

ক্ৰমবৰ্ধমান গোলকীয় উষ্ণতা কাৰণ আৰু তাৰ কাৰকবোৰৰ কথা বিজ্ঞানীকসকলে বহুদিন পূৰ্বৰ পৰাই সকীয়াই আছিল যদিও তালৈ কোনেও কেৰেপ কৰা নাছিল। যেতিয়া জোৰ পুৰি হাত পালেহি তেতিয়াহে সকলোৰে গালৈ চেতনা আহিল। গ্ৰীষ্ম প্ৰবাহৰ ফলত আমাৰ দেশকে ধৰি পৃথিৱীৰ বহু দেশত অসংখ্য লোকে প্ৰাণ হেৰুৱাইছে।

একবিংশ শতিকাৰ প্ৰতিটো বৰ্ষত গোলকীয় উষ্ণতা ক্ৰমে বাঢ়ি অহা পৰিলক্ষিত হৈছে। ইতিমধ্যে ২০০৮ বৰ্ষটোৰ উত্তাপে অভিলেখ স্থাপন কৰাৰো ইংগিত পোৱা গৈছে। ক্ৰমবৰ্ধমান পৃথিৱীৰ উষ্ণতাই ২০৫০ চনত প্ৰায় ১০০ কৌটি লোকক গৃহহীন কৰিব। মেৰু অঞ্চলত গলিত বৰফে সমুদ্ৰ পৃষ্ঠত উচ্চতা বৃদ্ধি কৰিব যাৰ ফলত সাগৰৰ পানী সাধাৰণ অৱস্থাতকৈ বহু ওপৰলৈ বৃদ্ধি পাব, নিশ্চিহ্ন হৈ যাব মালদ্বীপ, দঃ এছিয়াৰ বহু উপকূল। গোলকীয় উষ্ণতা বৃদ্ধিৰ কাৰকবোৰৰ বিষয়ে প্ৰায় সকলোৱে জানে। গ্ৰীণ হাউছৰ গেছ অত্যধিক পৰিমাণে বায়ুমণ্ডলত জমা হোৱাটোৱেই ধৰিত্ৰীৰ উষ্ণতা বৃদ্ধিৰ ঘাই কাৰণ। সেউজ গৃহৰ কাৰ্বন-ডাই-অক্সাইড গেছৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগতে কাৰ্বন, ফেৰন আদি প্ৰাকৃতিক আৰু মানৱ সৃষ্ট গেছে পৃথিৱীৰ বায়ুমণ্ডল ছানি ধৰিছে। বিশেষকৈ জীৱাশ্ম ইন্ধন (কয়লা) ভিত্তিক উদ্যোগবোৰৰ বাবেই গোলকীয় উষ্ণতা অতিপাত বৃদ্ধি পাইছে। প্ৰতি বৰ্ষতে সমগ্ৰ পৃথিৱীৰ এনে কয়লাভিত্তিক প্ৰকল্পবোৰে ২.৫ বিলিয়ন টন কাৰ্বন-ডাই-অক্সাইড উৎপাদন কৰে। কিন্তু এই বৃহৎ পৰিমাণৰ $CO_2$ গেছ শোষন কৰি কাৰ্বন চক্ৰটো উদাসীন কৰি ৰাখিবৰ বাবে যিমান উদ্ভিদৰ প্ৰয়োজন, সিমানখিনি নথকাত অতিৰিক্ত কাৰ্বন-ডাই-অক্সাইডবোৰ বায়ুমণ্ডলতে থাকিবলগীয়া হৈছে। বনাঞ্চল ধ্বংস কৰি জনাঞ্চললৈ ৰূপান্তৰ ঘটোৱাৰ মানৱ সমাজৰ যি প্ৰয়াস সেয়া বুমেৰাং হৈ উভতি মানুহকে আঘাত কৰিছে।

আমাৰ ভাৰতবৰ্ষ এই উষ্ণতাৰ ফলত যথেষ্ট ক্ষতিৰ সন্মুখীন হ'ব। বিশ্বৰ বৃহৎ বদ্বীপ সুন্দৰ বন আৰু ইয়াৰ জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি প্ৰতি বছৰে ভাবুকি ত্বৰান্বিত কৰি তুলিছে। হিমালয়ৰ হিমবাহ গলি আহিছে, সমুদ্ৰ পৃষ্ঠৰ উচ্চতা বাঢ়িছে তথাপি চৰকাৰে কোনো যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই।গোলকীয় উষ্ণতা নিৰাময়ৰ বাবে বিশ্বৰ উন্নত, উন্নতৰ, উন্নয়নশীল সকলো দেশেই মাৰবান্ধি থিয় হ'ব লাগিব। কিন্তু ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আদি বহু কাৰণত সকলোবোৰ দেশে গোলকীয় উষ্ণতা বৃদ্ধিৰ বিষয়টো এৰাই চলিব খোজে। এইক্ষেত্ৰত সকলো একগোট হৈ ঐকমত্যৰে মাৰ নাবান্ধিলে মানৱ সমাজৰ পতন অনিবাৰ্য।

অষ্ট্ৰেলিয়াকে আদি কৰি পৃথিৱীৰ ভালেমান দেশে সেইদিনা এঘণ্টাৰ বাবে সকলো ধৰণৰ কল-কাৰখানা, যান-বাহন, বিদ্যুৎ আদি বন্ধ ৰাখি কোলাহলমুক্ত, প্ৰদূষণমুক্ত এঘণ্টা ৰাতিৰ নীল আকাশৰ তৰা লেখি লেখি পাৰ কৰিছিল। এনেদৰে এঘণ্টাৰ বাবে হ'লেও যদি বিশ্বৰ সকলো দেশেই 'আৰ্থ আৱাৰ' পালন কৰিলেহেঁতেন। অৱশ্যে এঘণ্টাৰ এনে বন্ধত আৰ্থিক ক্ষতি হ'বই যদিও ধৰিত্ৰীয়ে নিশ্চয় কিছু আৰাম পালেহেঁতেন। তাৎপৰ্যপূৰ্ণভাৱে আমাৰ দেশ ভাৰতবৰ্ষই 'আৰ্থ আৱাৰ' পালনৰ কোনো প্ৰচেষ্টা কৰা দেখা নগ'ল।

ভৱিষ্যত প্ৰজন্মৰ প্ৰতি লক্ষ্য ৰাখি ভৱিষ্যতৰ দিনবোৰত আমাৰ দেশেও 'আৰ্থ আৱাৰ' পালন কৰি গোলকীয় উষ্ণতা কমোৱাত অৰিহণা যোগাব। এই ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই সকলো দেশকে সৈমান কৰাই। গছ-গছনিৰ অধিক ৰোপণেৰে 'আৰ্থ আৱাৰ' পালনৰ দিহা দিলে আকৌ সেউজী হৈ পৰিব আমাৰ পৃথিৱীখন।

## গোলকীয় উত্তাপ ৰোধ কৰাৰ উপায় ঃ

নিম্ন উল্লেখিত উপায় সমূহ অৱলম্বন কৰি গোলকীয় উত্তাপ বৃদ্ধিৰ হাৰ হ্ৰাস কৰিব পাৰি।

ক) বৰ্ত্তমান ব্যৱহাৰ হৈ থকা ক্লৰ'ফ্লুৰ'কাৰ্বন আৰু জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ কমাব লাগিব।

খ) শক্তিৰ অপচয় বন্ধ কৰি নবীকৰণযোগ্য শক্তি সম্পদৰ ব্যৱহাৰত গুৰুত্ব প্ৰদান

(গ) পৰম্পগৰাগত শক্তিৰ উৎস যেনে সৌৰ শক্তি আদিৰ ব্যৱহাৰ।

(ঘ) প্ৰকৃতিক গেছৰ ব্যৱহাৰত গুৰুত্ব প্ৰদান।

(ঙ) বহনক্ষম কৃষি পদ্ধতিৰ অবলম্বন।

(চ) দ্ৰুত জনসংখ্যা বৃদ্ধিৰ নিয়ন্ত্ৰণ।

(ছ) নিৰ্গত ধোঁৱাৰ পৰা কাৰ্বন-ডাই-অক্সাইড কৌশলগত ভাবে বন্ধ কৰা।

(ছ) বনাঞ্চল সংৰক্ষণ আৰু বৃক্ষৰোপনত অধিক গুৰুত্ব প্ৰদান।

## জনসাধাৰণৰ সচেতনতা (Public Awareness)

প্ৰতি দেশৰ জনসাধাৰণ পৰিৱেশ সম্বন্ধে সচেতন নহ'লে দেশ এখনত এই অৱস্থাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ব পাৰে। এখন দেশ বা অঞ্চলত বননি সংৰক্ষণৰ প্ৰয়োজনীয়তা, বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্যৰ মাজৰ সম্পৰ্ক, মানুহ আৰু পৰিৱেশৰ মাজৰ সম্পৰ্কৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰপৰা আৰম্ভ কৰি অঞ্চলৰ সাধাৰণ জনগণৰ ব্যুৎপত্তি থাকিব লাগিব। তেনে কৰিবলৈ যাওঁতে জনসাধাৰণৰ সচেতনতাৰ খুবেই

প্ৰয়োজন। ভাৰতবৰ্ষত পৰিৱেশ সম্পৰ্কে সচেতনতা অভিযানে এতিয়াও দেশৰ সকলো অঞ্চল সাঙুৰি লোৱাত সম্পূৰ্ণ ফলৱৰ্তী হ'ব পৰাগৈ নাই। যদিও বিশেষকৈ ১৯৯২ ৰ চনৰ পিচৰেপৰা ভাৰত চৰকাৰে বিস্তৃত কাৰ্যসূচীৰে পৰিৱেশ সম্পৰ্কে জনসাধাৰণক সচেতন কৰিবলৈ বিস্তৃত কাৰ্যসূচী হাতত লৈ আহিছে। অসমত অসম বিজ্ঞান সমিতি, নেচাৰচ্ বেকন, ৰাইন' ফাউণ্ডেচন, আৰণ্যক ইত্যাদি সংগঠনবোৰে পৰিৱেশ সম্পৰ্কে জনসাধাৰণক সচেতন কৰিবলৈ বিভিন্ন কাৰ্যসূচী হাতত লৈ আহিছে। ভাৰত চৰকাৰে পৰিৱেশ আৰু বন মন্ত্ৰালয়ৰ অধীনত 'ৰাষ্ট্ৰীয় পৰিৱেশ সচেতনতা অভিযান' (National Environment Awareness Campaign) জনসাধাৰণৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সচেতনতা বৃদ্ধিৰ বাবে লোৱা এটা সময় সাপেক্ষ পদক্ষেপ।

**পৰিৱেশ সচেতনতা কাৰ্যসূচী ৰূপায়ণ (Implementation of Environmental Awareness Programmes) ঃ**

জনসাধাৰণক পৰিৱেশ সচেতন কৰি তুলিবৰ বাবে বিভিন্ন পৰ্যায়ত কাৰ্যসূচী ৰূপায়ণ কৰিব পাৰি। উদাহৰণস্বৰূপে—

**(ক) ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাৰ মাধ্যমেদি ঃ** শিক্ষাৰ পাঠ্যক্ৰমত পৰিৱেশ শিক্ষা অতীৱ প্ৰয়োজন। সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পৰিৱেশ শিক্ষাৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হ'লে সৰুৰেপৰাই ছাত্ৰ-ছাত্ৰীৰ পৰিৱেশৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি পাব। বিশ্ববিদ্যালয় অনুদান আয়োগে সকলো স্নাতক পৰ্যায়ত পৰিৱেশ শিক্ষা বাধ্যতামূলক কৰাটো পৰিৱেশ সচেতনতাৰ বাবে উল্লেখনীয় পদক্ষেপ।

**(খ) জনসাধাৰণৰ মাজত পৰিৱেশ সচেতনতাৰ কাৰ্যসূচী ঃ** পৰিৱেশ সচেতন কৰি তুলিবলৈ সাধাৰণ জনগণৰ মাজত পৰিৱেশ সচেতন কাৰ্যসূচী ৰূপায়ণ কৰি সচেতনতা বৃদ্ধি কৰিব পাৰি।

**(গ) শিক্ষক প্ৰশিক্ষণৰ মাধ্যমেদি ঃ** শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানবোৰৰ লগতে অন্য সময়তো শিক্ষকসকলক পৰিৱেশ সম্পৰ্কে সজাগ হ'বলৈ আৰু ছাত্ৰ-ছাত্ৰীক পৰিৱেশ সংৰক্ষণত উদ্বুদ্ধ হোৱাত অৰিহণা যোগাবলৈ পৰিৱেশ সচেতন পাঠ্যক্ৰম আৰু কাৰ্যসূচী শিক্ষকসকলৰ বাবে ৰূপায়ণ কৰিব পাৰি।

**(ঘ) বাতৰি কাকত, দূৰদৰ্শনযোগে ঃ** বাতৰি কাকত, দূৰদৰ্শনত পৰিৱেশৰ বিভিন্ন কাৰ্যসূচী প্ৰচাৰৰ জৰিয়তে জনসাধাৰণক অধিক পৰিৱেশ সচেতন কৰি তুলিব পাৰি। তাৰোপৰি পৰিৱেশ সম্পৰ্কীয় বাটৰ নাট, গীত-মাত আদিৰ যোগেদিও পৰিৱেশ সচেতনতা বৃদ্ধিৰ কাৰ্যসূচী ৰূপায়ণ কৰিব পাৰি।

(ঙ) উন্নয়নৰ কামত নিয়োজিত প্ৰশাসনীয় বিষয়া, বিভিন্ন ৰাজনৈতিক দলৰ মুৰব্বীসকলো পৰিৱেশ সম্পৰ্কে বিশেষ সচেতন হোৱাটো অতি প্ৰয়োজন।

(চ) নিজৰ অঞ্চলত থকা অলাগতিয়াল মাটি অথবা ৰাজহুৱা অনুষ্ঠানৰ চৌহদত বৃক্ষ ৰোপণৰ বাবে এক বাহিনী গঠন কৰা।

(ছ) ঘৰত পেষ্টিচাইড (মহ বা পোক-পৰুৱা মৰাৰ বাবে) আৰু অন্যান্য ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ অতি সীমিত কৰা। ফুলনি আৰু শাক-পাচলিৰ বাগিচাত গোবৰ, পচন সাৰ আদি জৈৱিক সাৰৰ ব্যৱহাৰ কৰা।

(জ) যান-বাহনৰ ব্যৱহাৰ সীমিত কৰা। কম দূৰত্ব অতিক্ৰম কৰাৰ বাবে খোজকাঢ়িলে অথবা চাইকেল চলালে স্বাস্থ্যৰো উন্নতি হ'ব, ইন্ধন বাচিব আৰু প্ৰদূষণ কমিব। অফিচ-কাছাৰীলৈ যোৱাৰ বাবে নিজা নিজা মটৰ-গাড়ী ব্যৱহাৰ কৰাৰ সলনি ৰাজহুৱা বাছ, ট্ৰেইন আদি ব্যৱহাৰ কৰিলেও ইন্ধন বাচে আৰু প্ৰদূষণ কমে।

(ঝ) ঘৰত, স্কুল-কলেজত, অফিচ-কাছাৰীত বিজুলী শক্তি ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়িতা। অপ্ৰয়োজনত যাতে লাইট, ফেন চলি নাথাকে সেই বিষয়ে সজাগতাই শক্তি ৰাহি কৰিব আৰু পৰিৱেশৰ ক্ষতিও কমাব।

(ঞ) যিবিলাক বস্তুত অ'জন ধ্বংস কৰিব পৰা ৰাসায়নিক পদাৰ্থ থাকে (যেনে- ক্ল'ৰ ফ্লেচ্নাৰ) সেইবোৰৰ ব্যৱহাৰ বন্ধ কৰা।

(ট) ঘৰৰপৰা নলাৰে ওলাই যোৱা লেতেৰা পানীখিনিত পেষ্টিচাইড অথবা আন কোনো ৰাসায়নিক দ্ৰব্য নেপেলোৱা।

(ঠ) যিবিলাক বস্তু পুনৰ ব্যৱহাৰ কৰিব পাৰি, সেইবোৰ পেলাই নিদি মেৰামতি কৰি আকৌ ব্যৱহাৰ কৰিলে আৱৰ্জনা কমিব আৰু ব্যয় কৰ্তন হ'ব।

(ড) প্লাষ্টিক বেগ ব্যৱহাৰ নকৰা আৰু বজাৰলৈ গ'লে প্লাষ্টিকৰ বেগ নিবিচৰা। বাৰেবাৰে ব্যৱহাৰ কৰিব পৰা কাপোৰৰ বেগ এটা বজাৰলৈ যাওঁতে লৈ যোৱাৰ নিয়ম কৰা।

(ঢ) ঘৰত পতা বিভিন্ন অনুষ্ঠানত প্লাষ্টিকৰ থাল-বাটি, গিলাচৰ সলনি পুনৰ ব্যৱহাৰ কৰিব পৰা বাচন-বৰ্তনৰ ব্যৱহাৰ।

(ণ) পুৰণা বাতৰি কাকত, কাগজ-বহী, এলুমিনিয়ামৰ সামগ্ৰী, অলাগতিয়াল বাচন-বৰ্তন, বটল ইত্যাদি পেলাই নিদি এইবোৰৰপৰা পুনৰ সামগ্ৰী প্ৰস্তুত কৰা এজেণ্টক দিয়া।

(ত) ঘৰৰ জৈৱিক আৱৰ্জনাখিনিৰপৰা পচন সাৰ প্ৰস্তুত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ।

(থ) ৰাস্তা-পদূলি বা য'তে-ত'তে জাৱৰ-জোঁথৰ পেলোৱাটো বন্ধ কৰা।

(দ) পৰিৱেশ ৰক্ষাৰ বাবে নিজৰ অঞ্চলত এটা বেচৰকাৰী সংস্থা গঠন কৰা আৰু ইয়াৰ কাম-কাজত সক্ৰিয় ভূমিকা লোৱা। ❖❖❖

# দুৰ্নীতি ক'ত আৰু কেনেকৈ?
## —এটি চমু অৱলোকন

সৰোজনী ৰাভা
স্নাতক তৃতীয় বৰ্ষ

**দুৰ্নীতি (Corruption) ঃ**

দুৰ্নীতি সাধাৰণতে ভেটি খোৱা বা ভেটি দিয়া দস্তুৰক (an act of bribery) বুজোৱা এটা শব্দ। চৰকাৰী ক্ষমতাক নিজৰ ব্যক্তিগত লাভৰ বাবে আইন ভংগ কৰি বা সামাজিক আদৰ্শ ভংগ কৰি প্ৰয়োগ কৰা কাৰ্যক দুৰ্নীতি বুলি কোৱা হয়।

'আনুষ্ঠানিক নীতি-নিয়ম লংঘন কৰি ৰাজহুৱা ক্ষমতাক ব্যক্তিগত উন্নতিৰ কাৰণে ব্যৱহাৰ কৰা কাৰ্যকে দুৰ্নীতি বুলি কোৱা হয়।' ('The use of public power for private advantage in ways which transgress some formal rule or law'– Andriski)

'দুৰ্নীতিয়ে ব্যক্তিগত লাভৰ বাবে চৰকাৰী পদবীৰ অপব্যৱহাৰকে নিৰ্দেশ কৰে।' ('Corruption denotes the abuse or misuse of public offices for personal gains'– J. Nye)।

বিভিন্ন ৰূপত সমাজত দুৰ্নীতি চলি আছে। এইবিলাকৰ ভিতৰত—

(১) ভেটি খোৱা বা দিয়া (Bribe– money offered in cash or kind gift asinducement to procure illegal or dishonest action in favour of the giver.)।

(২) স্বজন-তোষণ (Nepotism– Undue favour from holder of patronage to relatives)।

(৩) পৰৰ ধন আত্মসাৎকৰণ (Misappropriation– using other's money for one's own use)।

(৪) উৎসাহদান বা আশ্ৰয়দান (Patronage– wrong support/ encouragement given by position) আৰু

(৫) পক্ষপাতিত্ব (Favouritism– unduly preferring one to other)।

**ঐতিহাসিক প্ৰেক্ষাপট (A Historical Perspective) ঃ**

দুনীতি বিশ্বজুৰি প্ৰবাহিত এটা কাণ্ড। অতি পুৰণি কালৰপৰাই প্ৰায় প্ৰতিখন সমাজতে কিবা নহয় কিবা ৰূপত দুৰ্নীতিৰ উমান পোৱা যায়। পুৰণি কালত হিব্ৰু, বেবিলন আৰু ইজিপ্তৰ বিচাৰকসকলে ভেটি লৈছিল। ৰোমত চৰকাৰী পদবী নিৰ্বাচনত ভেটি লোৱাটো এটা সাধাৰণ ঘটনাত পৰিণত হৈছিল। পোন্ধৰ শতিকাত ফ্ৰান্সত ন্যায়াধীশৰ পদবী বিক্ৰী হৈছিল। সোতৰ আৰ ওঠৰ শতিকাৰ ইংলেণ্ডক দুৰ্নীতিৰ নলা (sink-hole) বুলি অভিহিত কৰা হৈছিল। ঊনৈশ শতিকাত ইংলেণ্ডত দুৰ্নীতি ইমান বৃদ্ধি পাইছিল যে, গিবনে (Gibbon) ইয়াক সাংবিধানিক স্বাধীনতাৰ আটাইতকৈ অমোঘ লক্ষণ বুলি অভিহিত কৰিছিল।

কৌটিল্যই অৰ্থশাস্ত্ৰত চৰকাৰী কৰ্মচাৰীয়ে চৰকাৰী ৰাজহ নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ উল্লেখ কৰিছে। কৌটিল্যই চৰকাৰী কৰ্মচাৰীয়ে কৰা প্ৰায় চল্লিশ প্ৰকাৰৰ অৰ্থ আত্মসাতৰ আৰু দুৰ্নীতিৰ লক্ষণ প্ৰকাশ কৰিছিল। অশোকৰ ৰাজত্বকালত দুৰ্নীতিৰ পৰিমাণ কম আছিল বুলি ঐতিহাসিকসকলে মত প্ৰকাশ কৰিছে। মধ্যযুগত দুৰ্নীতিৰ সুবিধা কম আছিল, কাৰণ ৰাজহ আদায় কৰা কৰ্তৃপক্ষ আছিল নিৰ্দিষ্ট আৰু কমসংখ্যক। বৃটিছৰ ৰাজত্বৰ সময়ত ভাৰতবৰ্ষত ভাৰতীয় বিষয়াসকলে ভেটি লোৱা নাছিল; কিন্তু উচ্চ পদত অধিষ্ঠিত বৃটিছ বিষয়াসকলেও ভেটি লৈছিল। ক্লাইব আৰু ওৱাৰেণ হেষ্টিংচে চাকৰিৰ সময়ত ইমান বেছি দুৰ্নীতিত লিপ্ত আছিল যে, ইংলেণ্ডলৈ উভতি যোৱাৰ পিচত তেওঁলোকে সংসদীয় কমিটিৰ বিচাৰৰ সন্মুখীন হৈছিল। প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ আৰ্থিক কাৰ্যৰ বিৰাট বৃদ্ধিয়ে দুৰ্নীতিৰ নতুন বাট মুকলি কৰি দিলে। যুদ্ধৰ সময়ৰ নিয়ন্ত্ৰণ, প্ৰতিবন্ধকতা আৰু অভাৱে ভেটি ল'বলৈ আৰু পক্ষপাতিত্বমূলক কাৰ্য কৰিবলৈ

যথেষ্ট সুযোগ দিলে। স্বাধীনতা প্ৰাপ্তিৰ প্ৰায় দুটা দশকলৈ জাতীয় স্তৰৰ ৰাজনৈতিক নেতাসকল বহু পৰিমাণে সৎ আৰু নিকা ভাবমূৰ্তিৰ আছিল যদিও তৃতীয় নিৰ্বাচনৰ পিচৰপৰাই নতুন ৰাজনৈতিক নেতাসকলে তেওঁলোকৰ সাধুতাৰে মানুহৰ বিশ্বাসভাজন হ'ব পৰা নাই। বৰ্তমান কেন্দ্ৰ আৰু ৰাজ্যসমূহত সৎ ভাবমূৰ্তিৰ মন্ত্ৰী বা ৰাজনৈতিক নেতা আঙুলিৰ মূৰত গণিব পৰা ধৰণৰ। ভাৰতবৰ্ষত কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে তেওঁলোকৰ কাৰ্যকালত কৰা দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে।

Transperancy International নামৰ বেচৰকাৰী সংস্থা (NGO– German) ৰ মতে বিশ্বাৰ দুৰ্নীতিগ্ৰস্ত ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতবৰ্ষ সপ্তম স্থানত আছে। এই সংস্থাটোৱে চলোৱা এটা অধ্যয়নত (১৯৯৫) নিউজিলেণ্ড, ডেনমাৰ্ক আৰু ছিংগাপুৰ সাধু দেশ হিচাপে চিহ্নিত হৈছে আৰু ইণ্ডোনেছিয়া, চীন, পাকিস্তান, ভেনিজুৱেলা, ব্ৰাজিল, ফিলিপাইনছ, ভাৰতবৰ্ষ, থাইলেণ্ড, ইটালী আৰু মেক্সিকো দুৰ্নীতিপৰায়ণ ৰাষ্ট্ৰ হিচাপে চিহ্নিত হৈছে। অতি সম্প্ৰতি ভাৰতবৰ্ষত টেহেলকা আৰু বফৰ্ছ বৰটোপ ক্ৰয়, ষ্টাম্প পেপাৰ কেলেংকাৰী, দিল্লী মহানগৰ ভূমি আৱণ্টন কেলেংকাৰী, তাজ কৰিডৰ কেলেংকাৰী আদি উচ্চ পৰ্যায়ৰ দুৰ্নীতিৰ গোচৰ চলি আছে।

## চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ দুৰ্নীতি (Corruption Among Public Servants) ঃ

চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ মাজত দুৰ্নীতি চলিয়েই আছে যদিও ইয়াৰ আকৃতি, বিস্তৃতি, পৰিমাণ আৰু আঁৰ-বেৰ স্থান-কাল ভেদে পৰিৱৰ্তন হৈছে। এটা সময়ত ভেটি দিয়া হৈছিল অসত্য কাম কৰিবলৈ আৰু এতিয়া কিন্তু সঁচা কাম কৰিবলৈ সঠিক সময়ত ভেটি দিয়া হয়। তলত উল্লেখ কৰা আচৰণবোৰে এজন চৰকাৰী বিষয়াক দুৰ্নীতিপৰায়ণ বুলি আইনৰ দফাই গণ্য কৰে—

(১) পদবীৰ সামৰ্থ্যতাৰে কোনো কামৰ বাবদ কোনো উপঢৌকন পুৰস্কাৰস্বৰূপে গ্ৰহণ কৰা। (Acceptance of gratification as reward for work done in an official capacity.)

(২) অবৈধভাৱে কোনো বস্তু বা অৰ্থ লাভৰ সুবিধা গ্ৰহণ। (Obtaining any object or pecuinary advantage illegally.)

(৩) ৰাজহুৱা সম্পত্তিৰ ছলনাপূৰ্ণ আত্মসাৎ। (Fraudulent misappropriation of public property.)

(৪) জ্ঞাত আয়ৰ অনুপাতত বহু বেছি আৰ্থিক সম্পদ আৰু উৎসৰ মালিকত্ব।

(৫) কোনোবা এজনৰপৰা মূল্যৱান সামগ্ৰী ক্ৰয়ৰ বাবে ধন ধাৰলৈ অনা, যিজন ব্যক্তিৰ বিভাগীয় সম্পৰ্ক আছে আৰু ধাৰলৈ অনা ধন পৰিশোধ কৰিব নলগা জনাজাত বুজা-বুজি আছে।

(৬) উচ্চ পদবীত অধিষ্ঠিতসকলে নিজৰ তলৰ পদাধিকাৰীৰপৰা উপহাৰ গ্ৰহণ।

(৭) কোনো নাগৰিকে চৰকাৰক আদায় দিবলগা খাজনা-শুল্ক বা মাচুলৰ ক্ষেত্ৰত উদ্দেশ্যপ্ৰণোদিতভাৱে নীতি-নিয়ম অমান্য বা অৱহেলা কৰি নাগৰিকক সহায় কৰা আৰু

(৮) কিবা অজুহাতত আন কাৰোবাৰ উপকাৰ হ'ব পৰা কৰ্তব্য কৰিবলৈ অমান্তি হোৱা বা অস্বীকাৰ কৰা।

প্ৰতিৰক্ষা, পেট্ৰোলিয়াম, শক্তি আৰু যোগাযোগ— এই চাৰিটা মন্ত্ৰণালয় হ'ল কেন্দ্ৰীয় চৰকাৰৰ সোণৰ কণী পৰা মন্ত্ৰণালয়। অস্ত্ৰ-শস্ত্ৰ, গুলী-বাৰুদ আৰু অন্যান্য সামগ্ৰী ক্ৰয় কৰাৰ নামত প্ৰতিৰক্ষা বিভাগে ২০,০০০ ৰপৰা ৩০,০০০ কোটি টকা প্ৰতি বছৰে খৰচ কৰে। এইটো কোৱা হয় যে, এই সামগ্ৰীবোৰ ক্ৰয়ত ১৫ ৰপৰা ৪০ শতাংশ কমিছন সোমাই থাকে। পেট্ৰোলিয়াম বিভাগত ড্ৰিলিং, পাইপ লাইন বহুওৱা ঠিকা, পেট্ৰোল পাম্প খোলা ইত্যাদিৰ অনুমতি দান ইত্যাদি কাৰ্যৰ লগত বহুত টকাৰ গোপন সৰবৰাহ চলে। গড়কাপ্তানি (PWD), আবকাৰী (Excise), ৰাজহ (Revenue) আৰু আৰক্ষী— এই চাৰিটা বিভাগতো যথেষ্ট দুৰ্নীতি চলে। গৃহ নিৰ্মাণ, ৰাস্তা নিৰ্মাণ আৰু মেৰামতি, নলা খন্দা ইত্যাদি কামৰ বাবে গড়কাপ্তানি বিভাগে বহু পৰিমাণৰ বাজেট লাভ কৰে। ঠিকাদাৰ নিৰ্বাচন, সামগ্ৰী ক্ৰয়, কামৰ তদাৰকী, বিলৰ টকা আদায় ইত্যাদি সকলো ক্ষেত্ৰতে এই বিভাগত ওপৰৰপৰা তললৈ দুৰ্নীতি চলে। এইটো কোৱা হয় যে, সৰ্বমুঠ বাজেটৰ ৭০% কামত বিনিয়োগ হয়, বাকী ২০% ঠিকাদাৰসকলে ওপৰঞ্চি লাভ কৰে আৰু ১০% টকা বিভিন্ন বিষয়া-কৰ্মচাৰীৰ মোনালৈ যায়। ভাৰতবৰ্ষৰ আৰক্ষী বিভাগটোও অতিশয় দুৰ্নীতিপৰায়ণ বিভাগ। নিম্ন পৰ্যায়ৰ চিপাহীৰপৰা উচ্চ পৰ্যায়ৰ বিষয়ালৈকে বেছিভাগেই ভেটি, ঘোচ, উপঢৌকন গ্ৰহণ কৰে। ৰিক্সাচালক, ঠেলাচালক, হকাৰ, ট্ৰাকচালকসকলক সাধাৰণ চেলু লৈয়ে হাৰাশাস্তি কৰাৰ উপৰিও জোৰকৈ টকা আদায় কৰে। বিভিন্ন বজাৰ অঞ্চল আৰু পথৰ দাঁতিৰ দোকানীৰপৰা 'হাফ্তা' (Hafta– Weekly fixed amount) আৰক্ষীয়ে তোলে।

খাজনা সংগ্ৰহ, ঠিকাৰ অনুমোদন, বিলৰ অনুমতি, চেক পঠোৱা (Issuing cheques), যোগানৰ অনুমোদন ইত্যাদি ধৰণৰ মূল সিদ্ধান্ত গ্ৰহণ কৰা ক্ষেত্ৰবোৰত দুৰ্নীতিৰ যথেষ্ট সুবিধা আছে। এই

বিভাগবোৰত পূর্ব নির্ধাৰিত টকাৰ শতাংশ একোটা বিষয়াসকলক আদায় দিয়া হয়। চৰকাৰী কার্যালয়বোৰত শেষ অৱস্থাত উপনীত হোৱা অনুমতি পত্ৰখনো সংশ্লিষ্ট টাইপিষ্টজনেও কিছু টকা ভেটি নিদিলে টাইপ কৰি নিদিয়ে। একেবাৰে নিম্নতম পর্যায়ত চৰকাৰী কার্যালয়ৰ চকীদাৰ বা পিয়নজনে কোনোবা এজনে বিষয়াক সাক্ষাৎ কৰিবলৈ অহা বুলি কোৱা কথাটোৰ বিনিময়তে ২০ ৰপৰা ৫০ টকা দর্শনার্থী (Visitor)জনৰপৰা ভেটি হিচাপে লয়। চৰকাৰী বিভাগবোৰত দুর্নীতি ইমান ব্যাপকভাৱে সোমাই পৰিছে যে, এজন প্রধানমন্ত্রীয়ে চৰকাৰৰ জনকল্যাণমুখী কার্যসূচীবোৰৰ বাবে অনুমোদন কৰা প্রতি ১০০ টকাৰ প্রকৃততে মাত্র ২০ টকাহে ৰাইজৰ বাবে খৰচ হোৱা বুলি বিবৃতি দিছিল।

১৯৪৭ চনৰ দুর্নীতি নিৰোধক আইন (Prevention of Corruption Act, 1947) অনুসৰি পঞ্জীয়ন হোৱা দুর্নীতি বিষয়ক গোচৰৰ সংখ্যা ১৯৮১ চনৰ ৩০০ টাৰপৰা ১৯৮৭ চনত ৫০০ টালৈ বৃদ্ধি পায়; কিন্তু ১৯৮৮ চনৰ আইন প্রয়োগ হোৱাৰপৰা বছৰি এনে গোচৰৰ সংখ্যা ১৮০০ ৰপৰা ২০০০ টালৈ বৃদ্ধি পাইছে। ১৯৮৮ চনত পঞ্জীয়নভুক্ত গোচৰৰ সংখ্যা আছিল ১২৯৫ টা; কিন্তু ১৯৯৩ আৰু ১৯৯৪ চনত যথাক্রমে ১৮৮৫ টা আৰু ১৯১১ টা হয়। পঞ্জীয়নভুক্ত গোচৰবোৰৰ ৭০ ৰপৰা ৭৫ শতাংশ গোচৰৰ অপৰাধীৰ তালিকা প্রস্তুত কৰা হৈছিল। ১৯৯৪ চনত ২১০৪ টা নতুন গোচৰ পঞ্জীভুক্ত হৈছিল। মহাৰাষ্ট্রত ১৭.২%, গুজৰাটত ১১.২%, কর্ণাটকত ৯.৮৭%, ৰাজস্থানত ৯.৭%, অন্ধ্রপ্রদেশত ৮.৯% আৰু পঞ্জাৱত ৮.৪% গোচৰ পঞ্জীয়ন হৈছিল। ১৯৯৪ চনৰ বিচাৰ কৰা ১,৪২৩ জন লোকৰ ভিতৰত মাত্র ১৩.৯% লোককহে দোষী সাব্যস্ত কৰা হৈছিল।

### ৰাজনৈতিক দুর্নীতি আৰু কেলেংকাৰী (Political Corruption & Scandals) ঃ

অকল ভাৰতবর্ষতেই নহয়, প্রায় সকলোবোৰ দেশৰে বেছিভাগ ৰাজনীতিবিদেই দুর্নীতিপৰায়ণ বুলি কোৱা হয়। ৰাজনীতিবিদৰ দুর্নীতিৰ খবৰ যেতিয়া জাহিৰ হয়, মানুহে বিশেষ কোনো ধৰণৰ অনুভূতি প্রকাশ নকৰে। সাধু ৰাজনীতিবিদ বর্তমান সময়ত বিৰল। দুর্নীতিপৰায়ণ ৰাজনীতিবিদসকলে মুক্তভাৱে ঘূৰি ফুৰে, তেওঁলোকে কোনো ধৰণৰ শাস্তিৰ সন্মুখীন হ'বলগা নহয়; আনহাতে তেওঁলোকে সন্মানীয় নেতাৰ স্থান দখল কৰি থাকে।

যোৱাটো শতিকাৰ শেষৰ দুটা দশকত কেইটামান কেলেংকাৰী আৰু অর্থনৈতিক অনিয়ম পোহৰলৈ আহে। এই কেলেংকাৰী আৰু অনিয়মৰ লগত মন্ত্রী, ৰাজনৈতিক নেতা, আমোলা আৰু ধনী ব্যৱসায়ী জড়িত থকাটো প্রমাণ হৈছে। অথচ তথ্য প্রমাণৰ অভাৱৰ (Inadequate evidence) নামত এই ধৰণৰ উচ্চ খাপৰ ৰাজনৈতিক নেতা আৰু পদাধিকাৰীসকলে নিজৰ ক্ষমতা আৰু প্রভাৱৰ বলত বিচাৰৰ জালত নপৰে বা আৰক্ষীৰ জেৰাৰ সন্মুখীন নহয়। এতিয়া ভাৰতবর্ষত আকৌ ৰাজনীতিৰ ক্ষেত্ৰখন অপৰাধীৰ ভূ-স্বর্গত পৰিণত হৈছে। ৰাজনীতিৰ অপৰাধীকৰণে দুর্নীতিক এটা শৃংখলাত (Order) পৰিণত কৰিছে। তলত কেইটামান কুখ্যাত কেলেংকাৰীৰ উল্লেখ কৰা হ'ল— যিবোৰত কোটি কোটি টকা ভেটি, উপঢৌকন হিচাপে পিচ দুৱাৰেদি সৰবৰাহ হৈছিল।

১৯৮৬ চনত ছুইডেনৰ এটা প্রতিষ্ঠানৰপৰা বফৰ্ছ বন্দুক কিনা (Bofors Gun Deal) সংক্রান্তত সংঘটিত কেলেংকাৰীত প্রায় ২০০ কোটি টকা ভেটি, উপঢৌকন হিচাপত চৰকাৰৰ ঘৰৰপৰা ওলাই যায়। এই ঘটনাত উচ্চ মর্যাদাসম্পন্ন ৰাজনীতিবিদ আৰু উচ্চখাপৰ ব্যৱসায়ী জড়িত আছিল।

১৯৮২ চনত সংঘটিত চিমেণ্ট কেলেংকাৰীত ৫ কোটি টকাৰ দুর্নীতি হৈছিল। ইয়াত সেই সময়ৰ মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্রীজন সম্পূর্ণ জড়িত আছিল। ১৯৮৮-৮৯ চনত সংঘটিত ভূমি আবণ্টন কেলেংকাৰীত কেবাশ কোটি টকাৰ আদান-প্রদান চলিছিল। ইয়াত সেই সময়ৰ মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্রীজন ঘাই অভিযুক্ত আছিল। ১৯৯৩ চনৰ বহু কোটি টকা জড়িত ব্রাউন বেভাৰি লোকোমতিভ বিতৰণ (Brown Bevari Locomotive Deal) কেলেংকাৰীত কেন্দ্রীয় ৰে'ল মন্ত্রীজন ঘাই জগৰীয়া আছিল। কেন্দ্রীয় যোগাযোগ মন্ত্রীয়ে ১৯৯৩ চনত ৫০০ কোটি টকাৰ ভেটি লৈ সম্পৰ্কীয় আৰু বন্ধু-বান্ধৱক ঠিকাৰ আবণ্টন দিছিল। শ্বেয়াৰ দালাল হর্ষদ মেহতা আৰু কেইটামান বেংকৰ পৰিচালন সঞ্চালক মেনেজাৰে লগ লাগি ৪,১৮৩ কোটি গভর্ণমেণ্ট ছিকিউৰিটিৰ টকা ব্যক্তিগত লাভত ব্যৱহাৰ কৰিছিল। ১৯৯৩ চনত সেই সময়ৰ ভাৰতৰ প্রধানমন্ত্রীয়ে শ্বেয়াৰ দালাল হর্ষদ মেহতাৰপৰা 1 কোটি টকা উপঢৌকন হিচাপে লৈছিল। ১৯৯৪ চনত কেন্দ্রীয় চৰকাৰৰ ৰাজ্যিক পর্যায়ৰ খাদ্যমন্ত্রীজনে ৰপ্তানি চেনিৰ ওপৰত অযথা বাধা দান কৰিছিল। ইয়ে চেনি উদ্যোগৰ মালিকসকলৰ লাভ কৰিছিল; কিন্তু এই সংক্রান্তত ৬৫০ কোটি টকাৰ হৰলুকি হৈছিল। মুম্বাইৰ তিনিজন বেৰণ আৰু মুচী জাতিৰ নামত খোলা ৫০ টা ভুৱা সমবায় সমিতিয়ে (২০০০ জন সদস্য) ১৯৮৭ চনৰ কেন্দ্রীয় চৰকাৰৰ এটা অর্থনৈতিক আঁচনিৰ গইনা লৈ ১৯৯৬ চনত এক হাজাৰ কোটি টকা আত্মসাৎ কৰে। প্রকৃততে কোনো এজন সদস্যই মুচী (Cobbler) জাতিৰ লোক নাছিল। তেওঁলোক আছিল প্রভাৱশালী ব্যক্তি আৰু উচ্চ পর্যায়ৰ ৰাজনৈতিক

নেতা। ১৯৯১ চনৰপৰা ১৯৯৫ চনলৈ ঘটা ভাৰতীয় বেংক কেলেংকাৰীত (Indian Bank Scam) ২,৩৫৮ কোটি টকাৰ খেলি-মেলি হৈছিল। ভাৰতবৰ্ষত যোৱা দশকটোত সংঘটিত কেইটামান উল্লেখযোগ্য কুখ্যাত দুৰ্নীতি হ'ল ১৯৯১ চনৰ হাৱালা (Hawala) কেলেংকাৰী, বিহাৰৰ পশুধন আৰু পশুখাদ্য কেলেংকাৰী (১৯৯৬), ১৯৯৬ চনৰ ইউৰিয়া কেলেংকাৰী, টেহেলকা আৰু ষ্টাম্প পেপাৰ কেলেংকাৰী। এই কেলেংকাৰীবোৰত কেবাশ কোটি টকা জড়িত আছিল।

## দুৰ্নীতিৰ কাৰণ (Causes of Corruption) ঃ

দুৰ্নীতি আৰু ৰাজহুৱা প্ৰৱঞ্চনাৰ বহুতো কাৰক আছে। প্ৰথমতে, জাতীয় লক্ষ্যৰ বিপৰীতে স্বাৰ্থকেন্দ্ৰিক কাৰ্যসূচী আৰু নীতিত বিশ্বাসী ৰাজনৈতিক নেতাৰ (Political Elite) বিকাশ দুৰ্নীতিৰ এটা মুখ্য কাৰণ। প্ৰকৃততে স্বাধীন ভাৰতবৰ্ষৰ শাসনক (Raj of Ministers and Bureaucrats) মন্ত্ৰী আৰু আমোলাৰ শাসন বুলি ক'ব পাৰি। স্বাধীনতাৰ পিচৰ দুটা দশকলৈ ৰাজনৈতিক নেতৃবৰ্গ বহু পৰিমাণে সাধু, আত্মত্যাগী আৰু জাতীয় স্বাৰ্থকেন্দ্ৰিক আছিল আৰু তেওঁলোকে সদায় ৰাষ্ট্ৰৰ প্ৰগতিৰ বাবে কাম কৰিছিল; কিন্তু ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনৰপৰা এনেকুৱা কিছুমান লোকে লাহে লআহে কেন্দ্ৰ আৰু ৰাজ্য উভয়তে ৰাজনৈতিক ক্ষমতা হস্তগত কৰিলে, যিসকলে জাতীয় চিন্তা আৰু স্বাৰ্থক পিঠি দি কেৱল নিজৰ পৰিয়ালৰ, জাতিৰ (Caste), দলৰ অথবা নিজৰ অঞ্চলটোৰ কথাতহে গুৰুত্ব দিব ধৰিলে। এই ৰাজনীতিবিদসকলৰ নীতি আৰু কাৰ্যসূচীত জাতীয় লক্ষ্যৰ ৰহণ থাকিলেও অন্তৰালত ব্যক্তিস্বাৰ্থ লুকাই থাকে। যিবোৰ নীতি আৰু কাৰ্যসূচীৰদ্বাৰা তেওঁলোকৰ ব্যক্তিগত জীৱন সফল হয়, তেনেকুৱা নীতি আৰু কাৰ্যপন্থা তেওঁলোকে গ্ৰহণ কৰে। এই ক্ষেত্ৰত তেওঁলোকে আমোলাসকলক সহযোগী কৰি লয়।

দ্বিতীয়তে, চৰকাৰৰ অৰ্থনৈতিক নীতিও দুৰ্নীতিৰ বাবে বহু পৰিমাণে দায়ী। চৰকাৰে ক্ৰয়-বিক্ৰয় নিয়ন্ত্ৰণ কৰা বিষয়বোৰতে সাধাৰণতে বদনাম হোৱা দেখা গৈছে। চেনি, সাৰ, তেল, সামৰিক অস্ত্ৰ-শস্ত্ৰ ইত্যাদিবোৰ বেচা-কিনা সংক্ৰান্ততে ব্যাপক দুৰ্নীতি বা অনিয়ম সংঘটিত হৈছে।

তৃতীয়তে, বয়-বস্তুৰ অভাৱেও দুৰ্নীতি বিয়পোৱাত অৰিহণা যোগায়। যেতিয়া বস্তুৰ চাহিদাতকৈ যোগান কম থাকে, ক্ষমতাত থকা মানুহবোৰে মূল্যবৃদ্ধি কৰে আৰু অধিক মুনাফা লুটে। নিত্য ব্যৱহাৰ্য সামগ্ৰী যেনে— তেল, চেনি, দালি, চিমেণ্ট ইত্যাদিৰ ক্ষেত্ৰত সাধাৰণতে এইটো ঘটা দেখা যায়।

চতুৰ্থতে, মূল্যবোধৰ পৰিৱৰ্তন আৰু প্ৰশাসকসকলৰ নৈতিক চৰিত্ৰৰ ওপৰতো দুৰ্নীতি নিৰ্ভৰশীল। ধন-সম্পদৰ গৰাকীসকলৰ সামাজিক সন্মান বা সমাজত স্থান বৃদ্ধি পোৱা সামাজিক মানসিকতাই ছলে-বলে-কৌশলে ধন সংগ্ৰহক উৎসাহিত কৰিছে। নৈতিক গুণত উচ্চজনতকৈ পাৰ্থিৱ সম্পদত চহকীজনক সমাজে বেছি গুৰুত্ব দিয়াৰ প্ৰৱণতায়ো দুৰ্নীতি বৃদ্ধিত অৰিহণা যোগোৱা বুলি ক'ব পাৰি। বিশেষকৈ ভাৰতবৰ্ষত আগতে নৈতিক গুণসম্পন্ন গুণী-জ্ঞানী ব্যক্তিসকলে সমাজত উচ্চ স্থান লাভ কৰিছিল। আচলতে সেই সময়ত নৈতিকতা আৰু জ্ঞানক মূল্য দিয়া হৈছিল; কিন্তু এতিয়া প্ৰায় তাৰ ওলোটা ছবি এটাইহে লাহে লাহে সমাজখন ছানি ধৰা যেন অনুভৱ হয়। ভোগবাদী দৰ্শনৰ ব্যাপক প্ৰচাৰে নৈতিকতাক পিচ পেলাই সকলো বিষয়কে দামেৰে (Price) জুখিব ধৰিছে। ফলত সম্পদ ক্ৰয় কৰাৰ ক্ষমতা বেছি থকাজনেই সমাজত মান-সন্মান আৰু প্ৰশংসা লাভ কৰিব ধৰিছে। এনেকুৱা পৰিৱেশত সুযোগ পোৱা প্ৰায়ভাগেই ছলে-বলে-কৌশলে ধন সংগ্ৰহত লাগি পৰিছে।

পঞ্চমতে, প্ৰশাসন ব্যৱস্থাটোৰ দক্ষতাহীনতা আৰু অকাৰ্যকাৰিতাও দুৰ্নীতিৰ আন এটা কাৰণ। সততাৰ অভাৱ, দায়ী নোহোৱা (Unaccountability), সংবাদ ব্যৱস্থা সঠিক নোহোৱা নাইবা দুৰ্নীতিৰ গোচৰত অভিযুক্ত হোৱা বা দুৰ্নীতিত ধৰা পৰাৰ পিচতো দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা নথকাটো দুৰ্নীতিৰ এটা ডাঙৰ কাৰণ।

শেষত, যৌতুক প্ৰথা, দহেজ ইত্যাদি সামাজিক ব্যাধিবোৰেও দুৰ্নীতি বৃদ্ধিত সহায় কৰা বুলি ক'ব পাৰি। তথাকথিত ভাল দৰাৰ লগত বিয়া দিবৰ বাবে কন্যাৰ মাক-বাপেকে যথেষ্ট কষ্ট কৰিবলগা হয়। চৰকাৰী কৰ্মচাৰী মাক-বাপেকবোৰে কন্যাৰ যৌতুকৰ ধন সংগ্ৰহৰ বাবে দুৰ্নীতি, ব্লেক মেইলিং, প্ৰৱঞ্চনা ইত্যাদিৰ আশ্ৰয় লয়। এনেকুৱা সামাজিক সমস্যাবোৰেও দুৰ্নীতি বৃদ্ধিত সহায় কৰা বুলি ক'ব পাৰি। প্ৰকৃত দৰমহাৰ ধনেৰে তথাকথিত ষ্টেণ্ডাৰ্ড ৰক্ষা কৰিব নোৱাৰা নাইবা নিজ কন্যাৰ বিয়াৰ খৰচ মিলাব নোৱাৰাৰ বাবেও কিছুমানে দুৰ্নীতিৰ আশ্ৰয় লয়।

অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, বিধায়িনী আৰু ন্যায়িক— এইকেইটা শ্ৰেণীত দুৰ্নীতিৰ কাৰণসমূহ শ্ৰেণী বিভাজন কৰিব পাৰি।

অৰ্থনৈতিক কাৰণৰ ভিতৰত উচ্চ মানদণ্ডৰ বিলাসী জীৱনধাৰণৰ প্ৰতি লালায়িত হোৱা, মুদ্ৰাস্ফীতি, লাইচেন্স ব্যৱস্থা, কেৱল লাভমুখী প্ৰৱণতা আৰু বেপাৰী শ্ৰেণীটোৰ নৈতিকতাৰ অভাৱ ইত্যাদি।

সামাজিক কাৰণৰ ভিতৰত জীৱন সম্পৰ্কে বস্তুবাদী ধাৰণা বা ভোগবাদী ধাৰণা, সামাজিক মূল্যবোধৰ অৱক্ষয়, নিৰক্ষৰতা, সম্পত্তি সংগ্ৰহৰ অভ্যাস, শোষণমূলক সামাজিক গাঁথনি, সামন্তবাদী চিন্তাধাৰা, ৰাইজৰ উদাসীনতা ইত্যাদি।

ৰাজনৈতিক কাৰণৰ ভিতৰত— ৰাজনৈতিক পৃষ্ঠপোষকতা, অদক্ষ বা অযোগ্য ৰাজনৈতিক নেতৃত্ব, ৰাইজৰ ৰাজনৈতিক বিৰাগ বা উদাসীনতা, ৰাজনৈতিক নীতিহীনতা, দলীয় নিৰ্বাচন পুঁজি, অপৰাধীৰ লগত ৰাজনীতিকৰ সম্পৰ্ক আদি।

বিধায়িনী কাৰণবোৰৰ ভিতৰত উপযুক্ত আইনৰ অভাৱ, আইনৰ সুৰুঙা, আইন প্ৰয়োগৰ প্ৰতি আওকণীয়া মনোভাব ইত্যাদি। ন্যায়িক কাৰণৰ ভিতৰত খৰচী ন্যায়িক ব্যৱস্থা, ন্যায়ালয়ৰ উদাসীনতা, বিচাৰকসকলৰ দৃঢ়তাৰ অভাৱ আৰু বিশেষ কিবা ৰহস্যময় কাৰণত অভিযুক্তসকলৰ সঘনে হোৱা খালাচ ইত্যাদি।

## দুৰ্নীতিৰ প্ৰভাৱ (Impact of Corruption) ঃ

সাধাৰণতে দুৰ্নীতি বুলিলে বহুকোটি টকীয়া অৰ্থনৈতিক লেনদেন বা কেলেংকাৰীৰ ধাৰণা আহিলেও নাইবা উচ্চ পৰ্যায়ত হোৱা ৰাজনৈতিক, আমোলাতান্ত্ৰিক, আনুষ্ঠানিক নাইবা ঔদ্যোগিক কেলেংকাৰীৰ ধাৰণা আহিলেও দুৰ্নীতিয়ে অকল উচ্চ পৰ্যায়ত সংঘটিত অনিয়ম বা অবৈধ কাৰ্যকে নুবুজায়। ই সমাজ জীৱনত ঘটা সকলো ধৰণৰ অনিয়ম বা অবৈধ লেনদেনকে বুজায়। কোটিটকীয়া অবৈধ লেনদেন বা গ্ৰহণ-দান নাইবা খুব সামান্য পৰিমাণৰ অবৈধ নেলদেনো দুৰ্নীতিৰ পৰ্যায়ৰ। সকলোবোৰ অবৈধ লেনদেন, গোপন বুজা-বুজি দুৰ্নীতিৰ ভিতৰুৱা। অৱশ্যে দুৰ্নীতিৰ মাত্ৰাৰ কম-বেছি আছে। কিছুমান দুৰ্নীতি আকৌ আৰ্থিক জোখত সামান্য হ'লেও তাৰ কুফল সমাজত অতি গভীৰ হ'ব পাৰে। অকল অৰ্থৰ পৰিমাণেৰে দুৰ্নীতিৰ পৰিমাণ জুখিব নোৱাৰি। কিছুমানে অৱশ্যে অৰ্থৰ পৰিমাণেৰে দুৰ্নীতিৰ প্ৰকোপ জুখিব বিচাৰে। কোনো কোনোৱে আকৌ নৈতিকতাহীন সামাজিক সেৱাকহে দুৰ্নীতি বুলি ক'ব বিচাৰে। বেয়া খাদ্য সামগ্ৰী বিক্ৰী কৰা, পুৰণি ম্যাদ উকলি যোৱা ঔষধ বিক্ৰী কৰা, পৰীক্ষা হলত নকলৰ সুবিধা দিয়া বা নকল কৰা; যোগ্যজনক বঞ্চিত কৰি স্বজন-তোষণৰ জৰিয়তে অযোগ্যজনক পুৰস্কাৰ, সন্মান বা নিযুক্তি দিয়া, নিজ স্বাৰ্থ বা হিংসা বা জেদ পূৰণৰ বাবে অসামাজিক অপৰাধীক উৎসাহ দিয়া বা সহায় কৰা ইত্যাদি ধৰণৰ কাৰ্যই যি পৰিমাণৰ ধনৰ অপব্যৱহাৰ কৰে, তাতকৈ সমাজত পৰা বেয়া প্ৰভাৱ বেছি ক্ষতিকাৰক। এই কাৰ্যবোৰে সমাজৰ নৈতিকতাক ধ্বংস কৰে। অসাধু দুই-এজনৰ দুৰ্নীতিৰ ফলত গোটেই সমাজখনত বেমাৰ-আজাৰ, ব্যাধি বিয়পি পৰিব পাৰে। ই জাতি একোটাক শাৰীৰিক-মানসিকভাৱে দুৰ্বল কৰিব পাৰে।

ভাৰতবৰ্ষৰ সকলোতে বৰ্তমান দুৰ্নীতিৰ পয়োভৰ। প্ৰশাসনৰ ওপৰৰপৰা তললৈ সকলোতে দুৰ্নীতি। স্থানীয় স্বায়ত্ত শাসনৰ জৰিয়তে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰি সিদ্ধান্ত গ্ৰহণত সকলো নাগৰিকৰে অংশগ্ৰহণৰ জৰিয়তে এখন সঁচা অৰ্থৰ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ প্ৰয়াস চলিছে; কিন্তু বাস্তৱ ছবি ওলোটা।

বেছিভাগ অঞ্চলতে স্থানীয় নিকায়সমূহ দুৰ্নীতিত নিমজ্জিত হৈছে। বহুতে ক'ব খোজে 'Decentralization of Powers'ৰ অৰ্থ 'Decentralization of Corruption' বুলি। এতিয়া যি কোনো কাৰ্যালয়লৈ কিবা কামত গ'লেই কামৰ বিনিময়ত বাহিৰা পইচা দিব লাগে। বাহিৰা পইচা (Extra Income) পোৱা চাকৰি লোভনীয় আৰু সন্মানজনকো হৈছে। বিভাগীয় ঋণ প্ৰদান বা বেংক ঋণৰ ক্ষেত্ৰতো হিতাধিকাৰীয়ে আগতীয়া উৎকোচ দিব লাগে। ঋণ প্ৰদানত ঘটা অনিয়ম বা দুৰ্নীতিৰ বাবে ঋণ আদায়ত খেলি-মেলি হয়। বিক্ৰীকৰ, আয়কৰ, বিভিন্ন মাচুল ইত্যাদিৰ ক্ষেত্ৰতো দালাল আৰু কৰ্মচাৰীৰ এটা বুজা-পৰাৰ ভিত্তিত ব্যাপক দুৰ্নীতি চলি আছে। ফলত চৰকাৰ বহু পৰিমাণৰ ধনৰপৰা বঞ্চিত হয়। অসামৰিক যোগান বিভাগৰ কৰ্মচাৰী আৰু সুলভ মূল্যৰ দোকানীৰ মাজত থকা গোপন লেনদেনৰ ফলত ৰাজহুৱা বিতৰণ ব্যৱস্থাত (Public Distribution System) ব্যাপক অনিয়ম আৰু দুৰ্নীতি চলি আছে। এইবোৰৰ কু-প্ৰভাৱে সাধাৰণ মানুহক বেয়া ধৰণে ক্ষতিগ্ৰস্ত কৰিছে। ভাৰতীয় সমাজৰ বিভিন্ন দিশত দুৰ্নীতিয়ে বেয়া প্ৰভাৱ পেলাইছে—

(১) ই দেশৰ আৰ্থিক বিকাশত যথেষ্ট বাধা প্ৰদান কৰিছে। নেতা আৰু আমোলাৰ দুৰ্নীতিৰ ফলত কোনো ধৰণৰ জনমুখী আঁচনিয়েই সঁচা অৰ্থত ৰূপায়ণ হোৱা নাই। অযথা ধনৰ শৰাধ হৈছে। নিয়োগ, দৰিদ্ৰতাৰ প্ৰকোপ হ্ৰাস কৰাত এই আঁচনিবোৰে সেয়েহে সুফল দিব পৰা নাই।

(২) দুৰ্নীতিয়ে সমাজত হিংসা আৰু আইনহীন অৱস্থাৰ সৃষ্টি কৰিছে। দুৰ্নীতিপৰায়ণ ব্যক্তিবোৰে সিহঁতৰ আৰ্থিক ক্ষমতাৰে আইন প্ৰয়োগকাৰীসকলক প্ৰভাৱান্বিত কৰি সিহঁতৰ সপক্ষত সেৱা আগবঢ়াবলৈ বাধ্য কৰে।

(৩) ই জাতিবাদ, ভাষাবাদ, সাম্প্ৰদায়িকতাবাদ ইত্যাদি বৃদ্ধি কৰিছে।

(৪) ই নৈতিকতাৰ অধঃপতন ঘটায় আৰু ব্যক্তিগত চৰিত্ৰ ধ্বংস কৰে।

(৫) দুৰ্নীতিয়ে সাধাৰণ মানুহৰ জীৱন দুৰ্বিসহ কৰি তোলে। ই

অযোগ্যজনক ক্ষমতাত অধিষ্ঠিত কৰি প্ৰশাসনৰ সকলো বিভাগতে অনিয়ম, বিশৃংখলতাৰ সৃষ্টি কৰে।

(৬) দুৰ্নীতিয়ে জনসাধাৰণৰ মনত কাৰ্যপালিকা বা বিষয়ববীয়াসকলৰ বিশ্বাসযোগ্যতা হ্ৰাস কৰে।

(৭) ই দেশত ক'লা টকাৰ পৰিমাণ বৃদ্ধি কৰি অৰ্থনীতিৰ ভেটি দুৰ্বল কৰে আৰু

(৮) খাদ্যত ভেজালকৰণ, কৃত্ৰিম নাটনি আদি অসৎ পন্থাবোৰৰ ই জন্ম দিয়ে।

যুগে যুগে সত্য আৰু সততা জীয়াই আছে। সততাৰ পতাকাখন এতিয়া বহুতে বহু কষ্টৰে উৰুৱাই আছে। অণুবীক্ষণীয় সংখ্যাৰ হ'লেও এওঁলোক যুগজয়ী। সততাৰ পতাকাখন তুলি ধৰিবলৈ বহুতে অশেষ কষ্ট সহ্য কৰিবলগীয়া হৈছে। বহুতে অকথ্য নিৰ্যাতন সহিছে। বহুতে মৃত্যুকো আঁকোৱালি লৈছে। দুৰ্নীতিয়ে সম্প্ৰতি ভাৰতবৰ্ষত এক বৃহৎ উদ্যোগৰ ৰূপ লৈছে। বিভিন্ন মাধ্যমেদি ৰাইজৰ চকুৰ আগত দুৰ্নীতি উন্মোচন কৰা কাৰ্যই দুৰ্নীতিৰ পয়োভৰ নকমায়, বৰং দুৰ্নীতিৰ জনপ্ৰিয়কৰণ হয়। দুৰ্নীতি কৰে সমাজৰ ডাঙৰ ডাঙৰ মানুহে। দুৰ্নীতিৰ ঘটনা গণমাধ্যমত প্ৰকাশিত হয়; কিন্তু দুৰ্নীতিকৰ্তাৰ একো নহয়। ভাৰতবৰ্ষৰ সৰ্বসাধাৰণ ৰাইজে দুৰ্নীতিৰ এই নাটক সদায় চাই চাই দুৰ্নীতি এক গ্ৰহণযোগ্য কথা বুলি বিবেচনা কৰিবলৈ লৈছে। দুৰ্নীতিৰ গ্ৰহণযোগ্যতা ইমান দলৈকে শিপাইছে যে ভাৰতবৰ্ষৰ শিশুসকলেও ইয়াক জীৱনধাৰাৰ অংগ হিচাপে গ্ৰহণ কৰিবলৈ লৈছে। দুৰ্নীতি এনেদৰেই লাহে লাহে আমাৰ সংস্কৃতিৰ অংগ হৈ পৰিছে। দুৰ্নীতি আমাৰ মজ্জাগত চৰিত্ৰ হৈ পৰিছে।

সততাৰ পথেৰেহে বাট বুলিবলৈ দৃঢ় প্ৰতিজ্ঞসকলে ভাবে সমাজৰ মুৰব্বী লোকসকলে অন্ততঃ দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়ে। আমি বহুতে ভাবোঁ— প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতি, চি বি আই, আইনৰ মুৰব্বীসকল অন্ততঃ ৰাইজৰ পক্ষত আছে। কিন্তু বাস্তৱৰ কথাবিলাক ভবা ধৰণৰ নহয়। দুৰ্নীতিৰ শিপাডাল ৰাষ্ট্ৰৰ মুৰব্বীসকলৈও শিপাইছে।

"It is an undeniable fact that corruption has spread its tentacles to every part of Govt. apparatus, and the record in the office of a political party is no better than another's indeed, uncomfortably a large number of politicians of all hues are corrupt as evident from several scan cases pending against them in courts".

কোটি কোটিটকীয়া দলং সাজি উঠাৰ কিছুদিনৰ পিচতেই ভাগি পৰে, অট্টালিকা ভাগি পৰে, আলি-পদূলি ভাগি যায়, ভাগি যায় বৃহৎ বান্ধ আৰু মথাউৰি। ডাঙৰ ডাঙৰ মানুহ এই ধ্বংসকাৰ্যৰ লগত জড়িত হৈ থাকে। তাৰ কোনো বিচাৰ নহয়। যিসকলে এই ধ্বংসকাৰ্যৰ বিৰোধিতা কৰে, তেওঁলোকৰ বিৰুদ্ধে সমাজবিৰোধী লোকক লগাই দিয়া হয়। শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰা হয়। সেই ভয়তেই সৰ্বসাধাৰণ ৰাইজে মুখ খুলিব নোখোজে। স্বাভাৱিকতে দুৰ্নীতিৰ সৈতে জড়িত থাকে প্ৰভাৱশালী ৰাজনৈতিক নেতা আৰু প্ৰশাসক। এওঁলোকৰ হাতত থাকে প্ৰশাসনযন্ত্ৰ। যিসকল লোকে দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতে, বিৰোধিতা কৰে, তেওঁলোকৰ বিপক্ষে প্ৰশাসনযন্ত্ৰক ব্যৱহাৰ কৰা হয়। মনেসজা অপৰাধৰ বাবে তেওঁলোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। এতিয়া এই প্ৰক্ৰিয়াটো সমগ্ৰ ভাৰতবৰ্ষতেই প্ৰচলিত হৈছে। দুৰ্নীতিৰ বিৰোধিতা কৰা লোকসকলক মানসিকভাৱে অত্যাচাৰ কৰাৰ ঘটনাটো এতিয়া জনপ্ৰিয় হৈছে দুৰ্নীতিপৰায়ণসকলৰ মাজত। অতি দুখৰ কথা যে, দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়া উচ্চপদস্থ প্ৰশাসকসকলেও নিজৰ গা বচাবলৈ এই ক্ষেত্ৰত ধৃতৰাষ্ট্ৰৰ ভূমিকা পালন কৰে। ভাৰতীয় আইনৰ আন এক প্ৰহসন হ'ল মানহানি গোচৰ (Defamation case)। যেতিয়াই কোনো নেতৃস্থানীয় লোকৰ বিৰুদ্ধে দুৰ্নীতিৰ ঘটনা উন্মোচিত হয় বা গণমাধ্যমত সেই সম্পৰ্কীয় বাতৰি পৰিৱেশিত হয়, তেতিয়াই নেতৃস্থানীয় লোকজনে আদালতত মানহানি গোচৰ তৰে। লগে লগে দুৰ্নীতিৰ ঘটনা তল পৰি যায়। প্ৰমাণৰ অভাৱত দুৰ্নীতি প্ৰমাণিত নহয়। আমেৰিকা যুক্তৰাষ্ট্ৰত এনেধৰণৰ আইনক এক বিশেষ নামেৰে নামকৰণ কৰা হৈছে। তেওঁলোকে এই আইনক SLAPPC অৰ্থাৎ Strategic Lawsuits Against Public Participation বুলি নামাংকিত কৰিছে। যুক্তৰাষ্ট্ৰৰ জনসাধাৰণে দুৰ্নীতি টিকাই ৰখাৰ এইটো এক আইনী কৌশল বুলি ইয়াৰ বিৰোধিতা কৰিছে। ভাৰতবৰ্ষতো জনস্বাৰ্থৰ খাতিৰত কৰা গোচৰসমূহৰ বিৰুদ্ধে এনেধৰণৰ কৌশলী আইনী আদেশ জাৰি কৰা দেখা যায়। আইনৰ কথা বুলি জনসাধাৰণে মাত মাতিব নোৱাৰা হয়। ফলস্বৰূপে জনস্বাৰ্থৰ কথা কৌশলৰ বন্যাত উটি যায়। এনেকুৱা অজস্ৰ উদাহৰণ ভাৰতবৰ্ষত আছে।

সম্প্ৰতি আয়োগ গঠনৰ সংস্কৃতিত মানুহে সন্তুষ্টি লাভ কৰিবলৈ ধৰিছে। যেতিয়াই কিবা এটা দুৰ্নীতিৰ ঘটনা উন্মোচিত হয়, তেতিয়াই প্ৰশাসনিক বা ৰাজনৈতিক পৰ্যায়ত আয়োগ গঠন কৰি দি অনুসন্ধান আদেশ দিয়ে। সুদীৰ্ঘকাল ধৰি চলা এই অনুসন্ধানৰ ফলাফল সমাজৰ বাবে অপ্ৰাসংগিক হৈ পৰে। বহুক্ষেত্ৰত দেখা যায় আয়োগৰ মুৰব্বীজনে ৰাজনৈতিক বা প্ৰশাসনিক প্ৰভুসকলৰ ৰঙা চকুৰ নিৰ্দেশত

কাম কৰিব লাগে। কেতিয়াবা আকৌ আয়োগৰ অনুসন্ধানৰ কাৰ্যতেই কেৰোণ থাকি যায়। উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ে (১৯৯৮) খোদ চি বি আইকেই নিয়মানুৱৰ্তিতা পালন কৰিবলৈ নিৰ্দেশ দিছিল। সম্প্ৰতি দুৰ্নীতি উন্মোচনৰ ঘটনা ৰাজনৈতিক দলসমূহৰ আৰু নেতাসমূহৰ মাজত এক প্ৰকাৰৰ ৰাজনৈতিক খেলা (political game) হৈ পৰিছে। এতিয়া বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা, বিধানসভা, পাৰ্লিয়ামেণ্ট সকলোতে এই দুৰ্নীতিৰ বোকা ছটিওৱাৰ খেল পূৰ্ণোদ্যমত চলিছে। ৰাইজ এই খেলৰ নীৰৱ দৰ্শক। এই বোকা খেলত লুতুৰি-পুতুৰি হোৱা কিম্ভূত-কিমাকাৰ নেতাসকলক অনিচ্ছাসত্ত্বেও সন্মান জনাবলৈ বাধ্য হৈছে অসহায় জনসাধাৰণ। ইয়াৰ একমাত্ৰ কাৰণ হ'ল জনসাধাৰণৰ দ্বিধাগ্ৰস্ততা। জনসাধাৰণ, জনশক্তি এতিয়া বিধ্বস্তপ্ৰায়। কাৰণ জনসাধাৰণক সংগঠিত কৰিবলৈ এতিয়া কোনো সামাজিক নেতা নাই। সৰু-বৰ ৰাজনৈতিক শক্তিৰ নেতা আছে; কিন্তু ৰাইজৰ কোনো নেতা নাই।

দুৰ্নীতিৰ বিৰুদ্ধে ৰাইজক জগাবলৈ নেতাৰ অভাৱ হোৱাৰ প্ৰধান কাৰণ হৈছে— যিয়েই দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি ৰাইজক সচেতন কৰিব বিচাৰে, তেওঁকেই দুৰ্নীতিৰ শক্তিসমূহে শাস্তি প্ৰদান কৰিবলৈ ধৰে। তেওঁৰ ওপৰত অত্যাচাৰ আৰম্ভ হয়। পশ্চিমীয়া বহু দেশত দুৰ্নীতি উন্মোচন কৰি দুনীৰ্তিৰ বিৰুদ্ধে ৰাইজক সচেতন কৰি তুলিব খোজাসকলক আইনগতভাৱে সুৰক্ষা প্ৰদান কৰা হয়। এই ব্যৱস্থা থকা বাবে কেতিয়াবা সাংঘাতিধৰণে সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাট মুকলি হয়। উদাহৰণস্বৰূপে ১৯৭১ চনত ডেনিয়েল এল্‌ছবাৰ্গে পেণ্টাগনৰ নথি উন্মোচন কৰাৰ ফলত ভিয়েটনামৰ বিৰুদ্ধে আমেৰিকাই কৰা যুদ্ধ বন্ধ কৰিবলগীয়া হয়। এনেকুৱা আৰু ভালেমান উদাহৰণ আছে বিদেশত। ভাৰতবৰ্ষত এনে এক পৰিৱেশ এতিয়াও ৰচনা হোৱা নাই। ভাৰতবৰ্ষত ভালেমান চৰকাৰী বিষয়াই এই পৰিৱেশ ৰচনা কৰিবলৈ চেষ্টা কৰাটো পৰিলক্ষিত হৈছে যদিও এই কাৰ্যই কৃতকাৰ্যতা লাভ কৰিব পৰা নাই। ২০০১ চনত ন্যায়াধীশ জীৱন ৰেড্ডি মহোদয়ে ১৭৯ তম আইন আয়োগৰ (179th Law Commission Report) প্ৰতিবেদনত 'জনস্বাৰ্থ উন্মোচন আৰু উন্মোচকৰ সুৰক্ষা'ৰ বিষয়ে উল্লেখ কৰিছিল। ভাৰতবৰ্ষৰ দুৰ্নীতিগ্ৰস্ত প্ৰশাসনক অধিক দুৰ্নীতিৰপৰা দূৰৈত ৰাখিবলৈ এইধৰণৰ ব্যৱস্থা অতি প্ৰয়োজনীয়।

এই দিশত কাম কৰা দুই-এক চিন্তাশীল লোকে আশংকা প্ৰকাশ কৰিছে যে চৰকাৰী পৃষ্ঠপোষকতাৰে জনপ্ৰিয় হোৱা বুদ্ধিজীৱীসকল এই দিশত অন্তৰায় হৈ উঠিছে। জনসাধাৰণৰ সচেতনতা এই প্ৰসংগত আটাইতকৈ জৰুৰী বুলি আমি বিবেচনা কৰোঁ। ইয়াৰ বাবে গণমাধ্যমৰ ভূমিকাও অতি তাৎপৰ্যপূৰ্ণ।

### দুৰ্নীতি, ৰাজনীতি আৰু অৰ্থনীতি ঃ

পৃথিৱীৰ বহু দেশত, বিশেষকৈ ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহত দক্ষতা আৰু অখণ্ডতাৰ ক্ষেত্ৰত ৰাজনৈতিক ব্যৱহাৰৰ মান হ্ৰাস পাইছে। সামূহিক লাভালাভতকৈ ব্যক্তিগত লাভালাভে অধিক গুৰুত্ব পাইছে। এই পৰিস্থিতিত নৈতিকতাৰ মান নিম্নগামী হৈছে আৰু দুৰ্নীতিয়ে ক্ৰমাগতভাৱে প্ৰাধান্য লাভ কৰিছে। দুৰ্নীতিৰ




ফলতেই ব্যক্তি, প্ৰতিষ্ঠান আৰু ৰাজ্যবিলাকৰ ক্ষেত্ৰত বৈষম্যৰ মাত্ৰা বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে। যেতিয়া এখন গণতান্ত্ৰিক দেশৰ চৰকাৰ অযোগ্য আৰু দুৰ্নীতিযুক্ত হয়, তেতিয়া জনসাধাৰণে সমাজখনৰ উন্নয়নৰ আশা কৰিব নোৱাৰে। দুৰ্নীতিৰ বাবেই চৰকাৰ আৰু জনসাধাৰণৰ মাজত সহযোগিতা হ্ৰাস পাইছে। আমাৰ ৰাজ্যবিলাকৰ চৰকাৰখনৰ দুৰ্নীতিৰ বাবে জনসাধাৰণো কিছু পৰিমাণে জগৰীয়া। কাৰণ জনসাধাৰণৰ প্ৰতিনিধিসকলেই চৰকাৰ গঠন কৰে। দুৰ্নীতি আৰম্ভ হয় শক্তিশালী ব্যক্তিৰপৰাহে, বিশেষকৈ ৰাজনীতিবিদসকলপৰা, যি দলত বা চৰকাৰত গুৰুত্বপূৰ্ণ পদত থাকে।


অৰ্থনৈতিক বৃদ্ধি আৰু সামাজিক ন্যায়ৰ ক্ষেত্ৰত ৰাজনৈতিক দক্ষহীনতাই বেয়াকৈ প্ৰভাৱ পেলায়। উদ্যোগ আৰু বাণিজ্যৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ প্ৰাধান্য থকা দেশবিলাকতো ৰাজনৈতিক দক্ষহীনতাৰ বাবেই উন্নয়নৰ গতি মন্থৰ হয়। এখন দেশৰ উন্নয়নৰ ক্ষেত্ৰত শিক্ষা, স্বাস্থ্য, অৱগাঁথনিমূলক সা-সুবিধা আৰু আইন-শৃংখলা— এইকেইটাই স্পৰ্শকাতৰ বিষয়। এই বিষয়কেইটাৰ উন্নতিৰ অবিহনে দেশৰ অৰ্থনীতি শক্তিশালী হ'ব নোৱাৰে। ৰাজনীতিবিদসকলৰ দক্ষহীনতাৰ বাবেই এই বিষয়সমূহৰ পূৰ্ণ উন্নয়ন নহয় আৰু লাহে লাহে ই দুৰ্নীতিলৈ গতি কৰে। চৰকাৰৰ দুৰ্নীতিৰ বাবেই ব্যক্তিগত খণ্ডৰ উদ্যোগ, বাণিজ্য, বিত্ত আদি বিভাগতো দুৰ্নীতি হোৱা দেখা যায়। এইটো আমি স্বাস্থ্য, শিক্ষা আদি বিভাগতো দেখিবলৈ পাইছোঁ। দুৰ্নীতি বন্ধ কৰা সহজ কথা নহয়। ইয়াক নোহোৱা কৰিবৰ বাবে প্ৰতিৰোধ আৰু আইনসন্মত দুয়োটা ব্যৱস্থাই গ্ৰহণ কৰা প্ৰয়োজন। উন্নয়নশীল দেশসমূহত দুৰ্নীতি নিৰ্মূল কৰিবৰ বাবে বিভিন্ন সময়ত উচ্চ ক্ষমতাসম্পন্ন সাংবিধানিক সমিতি গঠন কৰা হয় যদিও সেইবিলাক বিশেষ কাৰ্যকৰী নহয়। বিকেন্দ্ৰীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে দুৰ্নীতিক কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পৰা যায়। ইয়াৰ উপৰি প্ৰশাসনযন্ত্ৰ আৰু মন্ত্ৰী পৰিষদৰ মাজত সহযোগিতা আৰু জনসাধাৰণৰ কল্যাণৰ বাবে অসামৰিক বিষয়াসকলকো চৰকাৰৰ অংগ হিচাপে গণ্য কৰা উচিত। দুৰ্নীতি নিৰ্মূলৰ বাবে জনসাধাৰণো সজাগ হোৱা উচিত। সংবাদ মাধ্যমৰো এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। অসমৰ ক্ষেত্ৰত দেখা যায় যে বিগত দুই দশক ধৰি অসমত দুৰ্নীতিৰ মাত্ৰা দিনক দিনে বৃদ্ধি পাব লাগিছে। ১৯৮৫ চনত প্ৰথম অসম গণ পৰিষদ চৰকাৰ গঠন হোৱাৰেপৰা বৰ্তমানৰ কংগ্ৰেছ চৰকাৰলৈকে অসমৰ ৰাজনীতিবিদসকলৰ মাজত দুৰ্নীতিৰ মাত্ৰা বৃদ্ধি পাইছে। প্ৰথম অগপ চৰকাৰৰ দিনত মন্ত্ৰী-বিধায়কসকল অপৰিপক্ক হোৱা বাবে বিভিন্ন বিভাগত দুৰ্নীতি শিপাইছিল যদিও দ্বিতীয় শাসনকালত অগপ মন্ত্ৰী-বিধায়কসকলে দুৰ্নীতিৰ পাহাৰ গঢ়ে, এল অ' চি কেলেংকাৰি, কৃষি বিভাগৰ কেলেংকাৰিকে ধৰি কেইবাটাও বিভাগৰ দুৰ্নীতিত কেইবাজনো মন্ত্ৰী-বিধায়ক যুক্ত হৈ পৰে। ১৯৮৫ চনৰ পিচত অসমত কংগ্ৰেছে দুবাৰ শাসনভাৰ লাভ কৰে। বৰ্তমানৰ কংগ্ৰেছ চৰকাৰৰ শাসনকালতো স্বাস্থ্য বিভাগ, বন বিভাগকে ধৰি কেইবাটাও বিভাগৰ দুৰ্নীতিৰ তথ্য পোহৰলৈ আহিছে। অসমত চৰকাৰী নিযুক্তিৰ ক্ষেত্ৰতো ৰাজনৈতিক হস্তক্ষেপ আৰু ধন-বলৰ প্ৰাধান্যই মুখ্য স্থান লাভ কৰিছে। ইয়াৰ উপৰি শিক্ষা বিভাগত হোৱা দুৰ্নীতিয়ে শিক্ষা বিভাগটোক কলুষিত কৰাত অৰিহণা যোগাইছে।

অসমৰ দুৰ্নীতিৰ পৃষ্ঠপোষক ৰাজনীতিবিদসকল যদিও বহু আমোলা-বিষয়াও দুৰ্নীতিত লিপ্ত। বিশেষকৈ ৰাজ্যৰ পুলিচ বিভাগত দুৰ্নীতি বৰ্তমানেও চলি আছে। জনসাধাৰণৰ সহায়ত মন্ত্ৰী-বিধায়ক হোৱা ৰাজনীতিবিদসকলে জনসাধাৰণৰ কল্যাণক আওকাণ কৰি ব্যক্তিগত ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিয়া দেখা যায়। ৰাজনীতিবিদসকলৰ মাজত দক্ষতা আৰু সীমিত জ্ঞানৰ অভাৱৰ বাবেও সুস্থিৰ সিদ্ধান্ত গ্ৰহণত ব্যৰ্থ হয়।

অসমত হোৱা দুৰ্নীতিৰ ফলতেই বৰ্তমানৰ অৰ্থনৈতিক অৱস্থাটোও জুৰুলা হৈ পৰিছে। চৰকাৰী ধনৰ অভাৱৰ বাবেই বিভিন্ন পিচপৰা অঞ্চলৰ অৱগাঁথনি, স্বাস্থ্য, শিক্ষা আদি বিভাগ পিচ পৰি আছে। ৰাজ্যৰ কৰ্মচাৰীসকলক সময়মতে দৰমহা দিব নোৱাৰা অৱস্থাও হৈছে। অসমত প্ৰাকৃতিক সম্পদ আৰু পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্বেও মূলধনৰ নাটনিৰ বাবেই ই সম্ভৱ হৈ উঠা নাই। নিবনুৱা সমস্যা সমাধান আৰু ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ ক্ষেত্ৰত চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণত ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। কেন্দ্ৰৰপৰা আৱণ্টিত ধনৰ সুব্যৱহাৰ নোহোৱাৰ অভিযোগো প্ৰায়ে শুনা যায়। দুৰ্নীতি পৰিহাৰ কৰিব নোৱাৰিলে এখন দেশৰ অৰ্থনীতি শক্তিশালী হ'ব নোৱাৰে। ই মানৱ সম্পদ আহৰণৰ ক্ষেত্ৰতো বিৰূপ প্ৰভাৱ পেলায়। গতিকে এখন দেশৰ সুস্থিৰ আৰু দক্ষ ৰাজনৈতিক ব্যৱস্থা অবিহনে দেশখনৰ অৰ্থনীতিৰ সামগ্ৰিক উন্নয়ন আশা কৰিব নোৱাৰি। দিনক দিনে দুৰ্নীতি বাঢ়িছে। চৰকাৰৰ পৃষ্ঠপোষকতাতেই এই দুৰ্নীতি বাঢ়িছে। চৰকাৰক দুৰ্নীতিৰ প্ৰমাণ লাগে। নাম-ধাম দিয়াকে যিবোৰ অভিযোগ ওলায়, সেইবোৰেই প্ৰমাণ। উৎকোচ দি চাকৰি কিনি লোৱাৰ দুৰ্নীতি, ৰাজকোষ লুণ্ঠন কৰা দুৰ্নীতি, গ্ৰামোন্নয়নৰ বাবে বিবিধ আঁচনিৰ ধন 'ছিক্সটি-ফৰটি' হাৰত ভগায় দুৰ্নীতিয়ে সমাজখনক গ্ৰাস কৰিছে। আমাৰ সামগ্ৰিক উন্নতিক দুৰ্নীতিয়ে উদৰস্থ কৰিছে। আমাৰ ৰাজ্যৰ শান্তি, প্ৰগতি, সমৃদ্ধি দুৰ্নীতিৰ কাৰণে আগুৱাব পৰা নাই, স্থবিৰ হৈ পৰিছে। আমাৰ অপাৰগতাৰ সুযোগ গ্ৰহণ কৰি আমাৰ জাতীয় সত্তা বিনষ্ট কৰিবলৈ উদ্যত হৈছে।

## দুৰ্নীতি নিবাৰণৰ প্ৰচেষ্টা (Prevention of Corruption) ঃ

১৯৪৭ চনৰ দুৰ্নীতি নিৰোধক আইন, IPC (Indian Panel Code)ৰ কেইটামান দফা, ১৯৫২ চনৰ Criminal Law Act খনৰ সংমিশ্ৰণত ১৯৮৮ চনৰ ছেপ্তেম্বৰত দুৰ্নীতি নিবাৰক আইন (The Prevention of Corruption Act)খন প্ৰৱৰ্তন কৰা হয়।




সকলোবোৰ প্ৰাসংগিক দফা এখন আইনৰ ভিতৰত সামৰি লোৱাৰ বাবে এই আইনখন প্ৰস্তুত আৰু প্ৰৱৰ্তন কৰা হয়। এইটো দেখা গৈছিল যে, দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰপৰাই চৰকাৰী কৰ্মচাৰীসকলৰ মাজত ঠগ-প্ৰৱঞ্চনা আৰু দুৰ্নীতি বাঢ়ি গৈছিল আৰু কিছুমান বিষয়াই ব্যাপক পৰিমাণৰ সম্পদ সংগ্ৰহ কৰিছিল; কিন্তু প্ৰচলিত IPC আৰু Cr Pc (Criminal Procedure Code)ৰ দফাবোৰ এই সমস্যাবোৰৰ মুখামুখি হোৱাৰ সমকক্ষ বা সুবিধাজনক নাছিল। গতিকে ১৯৪৭ চনত Prevention of Corruption Act খন গ্ৰহণ কৰা হয়। Cr Pc (Criminal Panel Code)ৰ জৰিয়তে চৰকাৰী কৰ্মচাৰীৰ দোষ বিচাৰ কৰিব পৰাৰ কোনো ব্যৱস্থা নাছিল; কিন্তু ১৯৪৭ চনৰ আইনৰদ্বাৰা তেনে কৰ্মচাৰীকো অভিযুক্ত হিচাপে আদালতৰ আওতালৈ আনিব পৰা গ'ল। ১৯৪৭ চনৰ আইনমতে অভিযুক্তই নিৰ্দোষিতাৰ প্ৰমাণ কৰিব লগা হ'ল। কমপক্ষেও উপ-আৰক্ষী অধীক্ষক এজনে অভিযুক্তৰ অনুসন্ধান চলাব। ভেটি খোৱা, অপব্যৱহাৰ, আৰ্থিক সুবিধা গ্ৰহণ, আয়ৰ লগত সংগতি নথকা সম্পদ সংগ্ৰহ আৰু কাৰ্যালয়ৰ ক্ষমতাৰ অপব্যৱহাৰ ইত্যাদিবোৰক ১৯৪৭ চনৰ আইনে দুৰ্নীতি বুলি উল্লেখ কৰে। আইনখনে কেন্দ্ৰীয় অনুসন্ধান শাখাক (Central Bureau of Investigation) গোচৰ তৰাৰ কৰ্তৃত্ব দিয়া নাছিল।

১৯৮৮ চনৰ আইনে বহুসংখ্যক কৰ্মচাৰীক চৰকাৰী কৰ্মচাৰীৰ আওতালৈ আনিলে। কেন্দ্ৰীয় চৰকাৰ আৰু কেন্দ্ৰ শাসিত অঞ্চলৰ চৰকাৰৰ অধীনৰ কৰ্মচাৰীৰ উপৰিও জাতীয়কৃত বেংক, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অধীনৰ সমবায় সমিতিসমূহৰ কৰ্মচাৰীবোৰ, বিশ্ববিদ্যালয় অনুদান আয়োগৰ (UGC) অধীনৰ কৰ্মচাৰীবোৰ, চৰকাৰৰপৰা আৰ্থিক অনুদান লাভ কৰা প্ৰতিষ্ঠানৰ বিজ্ঞানী ইত্যাদি সকলোকে ১৯৮৮ চনৰ আইনে চৰকাৰী কৰ্মচাৰী বুলি ঘোষণা কৰিলে।

চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপিত হ'লে আৰু আদালতত প্ৰমাণিত হ'লে কমেও ছয় মাহ আৰু সৰ্বোচ্চ পাঁচ বছৰলৈ ফাটেক দিয়াৰ ব্যৱস্থা হ'ল। যদি চৰকাৰী কৰ্মচাৰী এজনে অপৰাধ বা দুৰ্নীতি কৰাটো অভ্যাসত পৰিণত হোৱাটো প্ৰমাণিত হয়, তেনেকুৱা দোষীক কমেও দুই বছৰৰ জেল আৰু সৰ্বোচ্চ সাত বছৰৰ জেলৰ উপৰিও জৰিমনা বিহাৰো ব্যৱস্থা আছে।

কেন্দ্ৰীয় চৰকাৰে দুৰ্নীতি ৰোধৰ উপায় হিচাপে চাৰিটা বিভাগ খুলিছে—

(ক) শাসন সম্বন্ধীয় তদাৰকী বিভাগ (Administrative Vigilence Department– AVD), (খ) কেন্দ্ৰীয় অনুসন্ধান শাখা (Central Bureau of Investigation– CBI), (গ) মন্ত্ৰণালয়, বিভাগ, বেংক ইত্যাদিৰ ভিতৰুৱা তদাৰকী গোট (Domestic Vigilence Units) আৰু (ঘ) কেন্দ্ৰীয় তদাৰকী আয়োগ (Central Vigilence Commission– CVC)।

কেন্দ্ৰীয় তদাৰকী আয়োগ (CVC) ১৯৬৪ চনত স্থাপন কৰা হয়। কেন্দ্ৰীয় তদাৰকী আয়োগ এটা আইনী (Statutory) অনুষ্ঠান নহয়। ইয়াৰ ক্ষমতা আৰু কাৰ্যৰ সীমা সংসদে সংশোধন বা সংযোজন কৰিব নোৱাৰে; চৰকাৰৰ আদেশৰ (Order) ওপৰত নিৰ্ভৰ কৰে। কেন্দ্ৰীয় চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৰাজপত্ৰিত বিষয়াসকলৰ ৰাজহুৱা খণ্ডৰ বিষয়া (PSU) আৰু জাতীয়কৃত বেংকৰ কৰ্মচাৰীসকলৰ দুৰ্নীতি সম্পৰ্কীয় বিষয়ত এই আয়োগে কাৰ্যপন্থা হাতত লয়। কেন্দ্ৰীয় তদাৰকী আয়ুক্ত (Central Vigilence Commission)ক মুখ্য হিচাপে ই এটা এজনীয়া আয়োগ। এই আয়ুক্তজনক এজন সচিব, পাঁচজন শাখা মুৰব্বী আৰু বিভাগীয় অনুসন্ধানৰ বাবে এঘাৰজন আয়ুক্তই সহায় কৰে।

কেন্দ্ৰীয় তদাৰকী আয়োগৰ প্ৰধান কাম হ'ল—

(১) ৰাজহুৱা কৰ্মচাৰী এজনৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ গোচৰৰ অনুসন্ধান কৰা।

(২) কেন্দ্ৰীয় অনুসন্ধান শাখাক গোচৰ পঞ্জীয়ন কৰিবলৈ নিৰ্দেশ দিয়া।

(৩) কৰ্তৃপক্ষক দুৰ্নীতিত অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে ল'বলগা কাৰ্য

সম্পৰ্কে পৰামৰ্শ দিয়া আৰু

(৪) মন্ত্রণালয়, বিভাগ, বেংক ইত্যাদিত চলা দুৰ্নীতি বিৰোধী কাৰ্যৰ ওপৰত সাধাৰণ তদাৰক কৰা ইত্যাদি।

## দুৰ্নীতি প্ৰতিৰোধৰ কেইটামান পৰামৰ্শ ঃ

ভাৰতবৰ্ষত দুৰ্নীতি বিৰোধী কেইবাখনো আইন তৈয়াৰ হ'ল, প্ৰৱৰ্তন হ'ল। কেইবাখনো আয়োগে দুৰ্নীতিৰ বিৰুদ্ধে কেইবাখনো প্ৰতিবেদন দাখিল কৰিলে। বহুতৰে বিচাৰো চলিল। দুই-এজনে অলপ-অচৰপ শাস্তিও ভোগ কৰিলে; কিন্তু ভাৰতৰপৰা দুৰ্নীতি আঁতৰ নহ'ল। অকল আইন বা আয়োগ গঠনৰদ্বাৰা আৰু আদালতত গোচৰ তৰি দুৰ্নীতি বন্ধ কৰিব পৰা যে নাযাব, তাক এইবোৰে প্ৰমাণ কৰিছে। ইয়াৰ বাবে লাগিব ব্যাপক কৰ্মসূচী আৰু নেৰানেপেৰা প্ৰচেষ্টা। তলত দুৰ্নীতি প্ৰতিৰোধৰ বাবে কেইটামান পৰামৰ্শ আগবঢ়োৱা হ'ল—

প্ৰথমতে, খাদ্য শস্য বা নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ কৃত্ৰিম নাটনি বন্ধ কৰিব লাগে। চোৰাং কাৰবাৰী, ক'লা বেপাৰীৰ বিৰুদ্ধে চৰকাৰ কঠোৰ হ'ব লাগে। ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS) ভালদৰে ৰূপায়ণ কৰিব পাৰিলে দুৰ্নীতি বহু পৰিমাণে বন্ধ হ'ব।

দ্বিতীয়তে, দুৰ্নীতিৰ অপৰাধত অভিযুক্ত অপৰাধীক দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত কোনো ধৰণৰ আইনী আপোচৰ ব্যৱস্থা থাকিব নালাগে।

তৃতীয়তে, দুৰ্নীতিৰ গোচৰত অভিযুক্ত আৰু প্ৰমাণিত ৰাজনীতিকৰ ৰাজনৈতিক অধিকাৰ খৰ্ব কৰিব লাগে।

চতুৰ্থতে, দুৰ্নীতিত লিপ্ত আৰু অভিযুক্ত ব্যক্তিক সমাজৰপৰা এঘৰীয়া কৰিব লাগে। সংবাদ মাধ্যমে দুৰ্নীতিত অভিযুক্তজনক লৈ হৈ-চৈ নকৰি সদায় দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিব লাগে। দুৰ্নীতি কৰাটো অপৰাধ বা পাপ হিচাপে সমাজত তুলি ধৰিব লাগে। ভাল কাম কৰা সাধাৰণ মানুহৰ সেৱা, ত্যাগ আদিক প্ৰচাৰ কৰিব লাগে।

শেষত, দুৰ্নীতিৰ বিৰুদ্ধে ৰাইজ সজাগ হ'ব লাগে। ৰাইজৰ উদাসীনতাই দুৰ্নীতিক স্থায়ী হোৱাত সহায় কৰিছে। দুৰ্নীতিৰ বিৰুদ্ধে মাত মতাজনক দলমত নিৰ্বিশেষে সক্ৰিয় সমৰ্থন দিব লাগে আৰু সহায় কৰিব লাগে। সততাক শ্ৰদ্ধা জনাই সৎ ব্যক্তিক সন্মান দিয়াৰ অভ্যাস গঢ়িব পাৰিলে দুৰ্নীতি বহু পৰিমাণে লাঘৱ হ'ব। নাগৰিকসকলে সমাজখনক আপোন বুলি ভবা দায়বদ্ধ মনোভাব গঢ়ি উঠিলে নৈতিকতাই স্থান পাব আৰু সমাজৰপৰা দুৰ্নীতি আঁতৰি যাব।

দুৰ্নীতি দমন কৰিবলৈ ৰাইজ আগুৱাই আহিব লাগিব। গণতন্ত্ৰত ৰাইজেহে ৰজা। ৰাইজে ৰাজশক্তি প্ৰয়োগ কৰি দুৰ্নীতিক মষিমূৰ কৰিব লাগিব। ৰাইজে ৰাজশক্তি বেলট বাকচত প্ৰকট কৰে। কিন্তু যি নিৰ্বাচনত আমি বেলট বাকচত সেই শক্তি প্ৰয়োগ কৰো, সেই নিৰ্বাচনতেই কেৰোণ। অস্ত্ৰবল, বাহুবল আৰু ধনবলে বেলেট বাকচ অধিকৃত কৰি তেওঁলোকে তেওঁলোকৰ অধিক সুবিধাৰ কাৰণে ৰাজশক্তি প্ৰয়োগ কৰে। ভোটদাতাসকলে মুখ মেলি চাই থাকে। অধিকৃত ৰাজশক্তি অস্ত্ৰবল, বহুবল আৰু ধনবলৰ হাতত। ৰাইজৰ হাতত নাই। দুৰ্নীতি ৰোধ কৰিবলৈ হ'লে শিক্ষাৰ মূল্যবোধৰ ওপৰত গুৰুত্ব দিব লাগিব। এই সম্পৰ্কত চৰকাৰ এখনে শিক্ষা বিভাগটোৰ প্ৰতি সহায় ন্যায়, সততা আৰু নিৰপেক্ষ মনোভাব দেখুৱাব লাগিব। অভিভাৱকসকলে তেওঁলোকৰ সন্তানৰ চিন্তন প্ৰক্ৰিয়া, আনুভূতিক কাৰ্য আৰু বাহ্যিক আচৰণৰ প্ৰতি গুৰুত্ব দিব লাগিব। সমাজৰ সকলো শ্ৰেণীৰ লোক দায়িত্বশীল হোৱাটো প্ৰয়োজনীয়। ভাৰতবৰ্ষত প্ৰতিবছৰে ১১.৫ লাখ কোটি ক'লা টকাৰ লেনদেন হয়। আনহাতে একলাখ কোটি ক'লা টকা অসামাজিক কামৰ যোগেদি লেনদেন হয়। একমাত্ৰ ক'লা টকাৰ লেনদেনৰ বাবেই প্ৰতিবছৰে ৩.৫ লাখ কোটি টকাৰ কৰ চৰকাৰে হেৰুৱায়। আমাৰ দেশত যদি ক'লা টকাৰ লেনদেন নাথাকিলহেঁতেন, তেতিয়াহ'লে দেশৰ শতকৰা এশভাগ নিবনুৱাক চাকৰি দিয়াটো তেনেই সাধাৰণ কথাত পৰিণত হ'লহেঁতেন। আমাৰ দেশত ৰাজনৈতিক নেতা আৰু ব্যৱসায়ীসকলে ক্ৰয় কৰা 'ফাৰ্ম হাউছ' বোৰত হেজাৰ হেজাৰ কোটি টকাৰ ক'লা টকাৰ আদান-প্ৰদান হয়। সেয়ে কোৱা হৈছে— 'If the entire black economy is converted in to white, India's growth would gate boosted to 10% all educated youth would get jobs. The additional tax collection of about Rs. 3 lakh crore would leave a fiscal surplus.'

এয়া ঘটিছে ৰাইজ অচেতন হৈ থকাৰ কাৰণে। নিজৰ ৰাজশক্তিৰ প্ৰতি ৰাইজ সজাগ হ'লে এই অৱস্থাৰ অৱসান ঘটিব। ৰাইজক তেওঁলোকৰ ৰাজশক্তিৰ প্ৰতি সচেতন কৰি তুলিব লাগিব। ৰাইজৰ ৰাজশক্তি সম্পৰ্কে ৰাইজ সচেতন হৈ উঠিলে অস্ত্ৰবল, বাহুবল, ধনবল নিস্তেজ হৈ পৰিব। ৰাইজৰ সুপ্ত ৰাজশক্তি জাগৃত হ'ব, গণতন্ত্ৰ সক্ৰিয় হৈ উঠিব। এতিয়া প্ৰশাসনত ওপৰৰপৰা তললৈ সৰ্বস্তৰত যি দুৰ্নীতি চলিছে, তাক বন্ধ কৰা সম্ভৱ হ'ব। যি দুৰ্নীতিয়ে আমাৰ সামগ্ৰিক অগ্ৰগতিক ৰুদ্ধ কৰিছে, জনপ্ৰতিনিধিসকলক জনসেৱাৰ পৰিৱৰ্তে নিৰ্লজ্জভাৱে ভোগবাদী আত্মসেৱাত প্ৰবৃত্ত কৰাইছে, তাৰ অৱসান ঘটাব লাগিব। দুৰ্নীতি

দমন কৰিবলৈ ৰাইজক দুৰ্নীতিৰ বিৰুদ্ধে সচেতন কৰাৰ বাহিৰে অন্য পথ নাই। দুৰ্নীতি আমাৰ শান্তি, প্ৰগতি, সমৃদ্ধিৰ অন্তৰায়। দুৰ্নীতিক দমন কৰাই আমাৰ একমাত্ৰ ধ্যান। যি পৰিস্থিতিয়ে দুৰ্নীতি দৈত্যৰ তাণ্ডৱ বৃদ্ধি কৰাত সহায় কৰিছে, ই যে মাথোন অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰেই দৃষ্টান্ত তেনে নহয়; বিশ্বৰ য'তে এনে সন্ত্ৰাসৰ দৌৰাত্ম্যই দেখা দিছে তাতেই তাৰ পৰিপুষ্টিৰ যোগান দুৰ্নীতিয়ে ধৰা দেখা গৈছে। সমাজক দুৰ্নীতিমুক্ত কৰিব নোৱাৰিলে সেইখনক সন্ত্ৰাসমুক্ত কৰাও যে সম্ভৱ নহয় তাক সকলো সজ্জনে হৃদয়ংগম কৰা উচিত। লগতে সজ্জনসকলে ইয়াকো হৃদয়ংগম কৰা উচিত— সামাজিক পৰিস্থিতিৰ গণতান্ত্ৰিকীকৰণেই এই ভয়ানক পৰিস্থিতিৰপৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ পৰীক্ষিত উপায় আৰু এই সুস্থ প্ৰক্ৰিয়াৰ মূল লক্ষ্য হোৱা উচিত— দুৰ্নীতিৰ উচ্ছেদ। দুৰ্নীতিয়েই যে বৰ্তমানৰ অসমৰ দুৰৱস্থাৰ মূল কাৰণ, সেইটোও কেন্দ্ৰীয় মন্ত্ৰীসকলৰ সমালোচনাত আওপাকে হ'লেও ওলাই পৰিছে। যিখন ৰাজ্যত আইন-শৃংখলা ৰক্ষাৰ দায়িত্বত থকা খোদ পুলিচ বাহিনীতেই কোটিটকীয়া কেলেংকাৰীৰ ঘটনা ঘটিছে, সেইখন ৰাজ্যত দুৰ্নীতি কিমান দলৈ শিপাইছে তাক নক'লেও চলে। সাধাৰণতে উগ্ৰবাদ সমস্যাক বৰ্তমান অসমৰ বিকাশৰ প্ৰধান প্ৰতিবন্ধক হিচাপে প্ৰশাসনে জগৰীয়া কৰি আহিছে। অথচ অতি সম্প্ৰতি এনে ঘটনাও পোহৰলৈ আহিছে য'ত ওলাই পৰিছে— উগ্ৰবাদৰ সমস্যাক ব্যৱহাৰ কৰি খোদ প্ৰশাসনৰেই একাধিক অসাধু চক্ৰই বিপুল পৰিমাণৰ ধন পকেটস্থ কৰিছে। এনেকৈয়ে অসমত দুৰ্নীতি সবাতোকৈ ভয়ানক সন্ত্ৰাস হৈ পৰিছে। যিখন সমাজত উন্নয়নৰ পুঁজিৰ সিংহভাগ দুৰ্নীতিয়ে গ্ৰাস কৰিছে, সেইখন সমাজৰ উন্নয়নৰ ৰেহ-ৰূপ জৰাজীৰ্ণ হোৱাটোৱেই স্বাভাৱিক। কিন্তু অসমৰ নাগৰিক সমাজে দুৰ্নীতিৰ এই সন্ত্ৰাসক ভাগ্যৰ লিখন বুলি ধৰি লৈ হাত সাবটি বহি থাকিলে নচলিব। এই ভয়ানক সন্ত্ৰাসৰপৰা সমাজখনক উদ্ধাৰ কৰিবলৈ ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিবই লাগিব। নহ'লে এখন বিকাশসমৃদ্ধ সমাজৰ নাগৰিক তেওঁলোকে কাহানিও হ'ব নোৱাৰিব। অসমৰ আগত পঞ্চায়ত নিৰ্বাচনকেই চকুৰ আগত ৰাখি এই শুদ্ধিকৰণ প্ৰক্ৰিয়াৰ আৰম্ভণি ৰাজ্যখনৰ নাগৰিক সমাজে কৰা উচিত। এই দিশত নেতৃত্ব দিবলৈ অসমৰ প্ৰতিখন গাঁৱত ভোটাৰসকলে নাগৰিক সমিতি গঢ়ি তোলা উচিত। সেই সমিতিয়ে 'তথ্য জনাৰ অধিকাৰ আইন'ৰ সহায় লৈ উন্নয়নৰ কি পুঁজি কেনেকৈ আহিছিল আৰু আহিব, সেই পুঁজি




কেনেকৈ খৰচ হ'ল আৰু হ'ব, তাক গাঁওবাসীক জনোৱা উচিত। যাতে তেওঁলোক তথ্যসমৃদ্ধ হৈ আগত নিৰ্বাচনত নিকা প্ৰাৰ্থীক নিৰ্বাচিত কৰিবলৈ সাজু হ'ব পাৰে আৰু সেই নিৰ্বাচিত প্ৰাৰ্থীৰ ভৱিষ্যতৰ কাম-কাজৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিবলৈ সজাগ হ'ব পাৰে। নাগৰিক সমাজে নিজ যৌথ উদ্যোগেৰে দুৰ্নীতিক উচ্ছেদ নকৰিলে আমাৰ সমাজৰ নিস্তাৰ নাই। দুৰ্নীতি ৰোধ কৰিবলৈ হ'লে শিক্ষাৰ মূল্যবোধৰ ওপৰত গুৰুত্ব দিব লাগিব। সেই সম্পৰ্কত চৰকাৰ এখনে শিক্ষা বিভাগটোৰ প্ৰতি সদায় ন্যায়, সততা আৰু নিৰপেক্ষ মনোভাব দেখুৱাব লাগিব। অভিভাৱকসকলেও তেওঁলোকৰ সন্তানৰ চিন্তন প্ৰক্ৰিয়া, আনুভূতিক কাৰ্য আৰু বাহ্যিক আচৰণৰ প্ৰতি গুৰুত্ব দিব লাগিব। এই ক্ষেত্ৰত সমাজৰ সকলো শ্ৰেণীৰ লোক দায়িত্বশীল হোৱাটো প্ৰয়োজনীয়। উল্লেখনীয় যে তথ্যজনাৰ অধিকাৰ আইন ২০০৫-এ দুৰ্নীতি নিবাৰণ কৰি শোষণকাৰীক শাস্তি প্ৰদান কৰি এক স্বচ্ছ আৰু নিকা সমাজ গঠন কৰি দেশৰ সৰ্বাঙ্গীণ উন্নতিৰ লগতে জনগণক শুদ্ধ আৰু সৎ পথ দেখুওৱাৰ ক্ষেত্ৰত এক অলৌকিক পৰিৱৰ্তন আনিছে আৰু ভৱিষ্যতেও এই পদক্ষেপৰ অগ্ৰসৰ হ'ব বুলি আশা কৰিব পাৰি। ❖❖❖

*(সহায়ক গ্ৰন্থ ঃ সমসাময়িক ৰাজনৈতিক বিষয়, মনালিছা প্ৰকাশ, ছয়গাঁও, তৃতীয় সংস্কৰণ, ২০১১)*

একাংকিকা নাট ঃ

# মা



**পৰিস্মিতা দাস**
স্নাতক তৃতীয় বৰ্ষ

**চৰিত্ৰসমূহ ঃ**

- ❖ আৰতি ঃ এগৰাকী বিধৱা তিৰোতা (বয়স-৩০)
- ❖ কৃষ্ণা ঃ আৰতিৰ সতীয়া জীয়েক (বয়স-১৮)
- ❖ পূৰবী ঃ কৃষ্ণাৰ পেহীয়েক (বিবাহিতা-২৭)
- ❖ জোনালী ঃ কৃষ্ণাৰ বান্ধৱী (বয়স-১৮)
- ❖ মেনকা ঃ কৃষ্ণাৰ বৰমাক (বয়স-৫০)

(কৃষ্ণাহঁতৰ ঘৰৰ বাৰাণ্ডা। বাৰাণ্ডাত কেইখনমান চকী, মূঢ়া, ফুলৰ টাব আদি থাকিব। মঞ্চত আৰতিয়ে গীত এটি গুণগুণাই ঘৰ সাৰি থাকে। এনে সময়তে ভিতৰৰপৰা বৌ বৌ বুলি মাতি মাতি পূৰবী সোমাই আহে।)

পূৰবী ঃ বৌ, ভিতৰ-বাহিৰ সকলোতে বিচাৰিলোঁ তোমাক। ক'ত আছিলানো?

আৰতি ঃ পাছফালে আছিলোঁ অ'। কৃষ্ণাৰ কাপোৰ অলপ ধুই দি মেলি দিবলৈ গৈছিলোঁ।

পূৰবী ঃ বৌ, বৌ, তুমি সঁচাকৈ মহানুভৱ।

আৰতি ঃ মানে?

পূৰবী ঃ তুমি ইমান সহনশীলা কেনেকৈ হ'লা বৌ? বিয়াৰ পিছৰেপৰা যেতিয়াই ঘৰলৈ আহোঁ, তেতিয়াই দেখিবলৈ পাওঁ কৃষ্ণাই তোমাক কিমান টান কথা শুনায়, কিমান কষ্ট দিয়ে তাই তোমাক। তথাপি তুমি কেনেকৈ তাইৰ সকলোবোৰ কাম কৰি দিয়া বৌ? তাইৰ প্ৰতি তোমাৰ অলপো খং নুঠেনে?

আৰতি ঃ পূৰবী, কৃষ্ণাৰ ওপৰত মোৰ কোনো অভিযোগ নাই। কোনো খং নাই। কাৰণ মই তাইৰ মাতৃ। সন্তানে মাকৰ ওপৰত অভিমান কৰেই। কিন্তু মাতৃতো সহনশীলা হ'বই লাগিব। জানা পূৰবী, তোমাৰ ককায়েৰাৰ লগত বিয়া হোৱাৰ পিছৰেপৰাই মই কৃষ্ণাক নিজৰ সন্তান বুলি ভাবি আহিছোঁ। অৱশ্যে ভবা নাছিলোঁ মোৰ যে কোনো সন্তান নহ'ব। বিয়াৰ কেইদিনমান পিছতেই তেখেতৰ মৃত্যু হ'ব বুলিনো কোনে ভাবিছিল! (কান্দে)

পূৰবী ঃ বৌ, নাকান্দিবা বৌ।

আৰতি ঃ (কান্দি কান্দি) ককায়েৰাৰ মৃত্যুৰ সেই দিনটোৰ কথা মনত পৰিলে মোৰ আজিও পাগলী হৈ যাম যেন লাগে। ককায়েৰাৰ মৃত্যুৰ বাবে মোৰ নিজকে দোষী যেন লাগে অ' পূৰবী। মোৰ নিজকে বহুত অমংগলীয়া যেন লাগে। সঁচাকৈয়ে পূৰবী, মই বহুত অমংগলীয়া।

পূৰবী ঃ (কান্দি কান্দি) বৌ, তেনেকৈ নক'বা বৌ। দাদাৰ সেই আকস্মিক মৃত্যুৰ কথা ভাবিলে আমাবো জানো দুখ নালাগে? কিন্তু দাদাৰ মৃত্যুৰ বাবে তুমি কেতিয়াও দোষী নোহোৱা। তুমি অমংগলীয়া নহয় বৌ। তুমি নাথাকিলে এই ঘৰখন মৰিশালি হৈ গ'লহেঁতেন।